# মৃত্যুৰ পিছত জীৱন



গর্ডন লিণ্ডচে্

—প্ৰথম অধ্যায়—

## যদি এজন মানুহ মৰে তেওঁ আকৌ জীয়াই থাকেনে?

এই পৃথিৱীত জন্মা সকলোৱে জীয়াই থকাৰ আৰু মৰাৰ সময় আছে। আমি জীৱন পোৱাৰ মুহূৰ্ত্তৰে পৰা মৰিবলৈ আৰম্ভ কৰোঁ। আন সকলোৱে হোৱাৰ দৰে আমাৰ আত্মাটোও যেতিয়া সংখ্যাহীন মৃত্যুৰ শাৰী পুৰাবলৈ যায় তেতিয়া আমাৰ চেতনা শক্তিৰে সেই মুহূৰ্ত্তত জীয়াই থাকেনে? 'যদি এজন মানুহ মৰে তেওঁ আকৌ জীয়াই থাকেনে? এই প্ৰশ্নটো এদিন ইয়োবে কৰিছিল আৰু তেতিয়াৰে পৰা প্ৰত্যেক মানুহে সেই একেটা প্ৰশ্নকে কৰি আহিছে।

মানুহ অন্য প্ৰাণীবিলাকতকৈ একেবাৰে বেলেগ, কাৰণ মানুহৰ ভূত ভবিষ্যত নিৰ্দ্ধাৰণ কৰিব পৰা জন্মগত শক্তি আছে। এটা জন্তুৱে কেৱল বৰ্ত্তমানক লৈয়ে জীয়াই থাকে, কিন্তু মানুহে হলে তাৰ স্বাভাবিকতে ভবিষ্যতটো গণনা কৰি লব পাৰে। সি জানে যে অদৃশ্যৰ প্ৰভাৱত তাৰ জীৱন পৰিচালিত হৈ আছে।

আমি যদি কওঁযে চেতনা শক্তিয়ে মৃত্যুক জীয়াই ৰাখে, তেতিয়া আমি আন এটা বৰ প্ৰয়োজনীয় ভবিষ্যৎৰ বিষয়ে চিন্তা কৰিব লাগিব। বৰ্ত্তমানৰ পাছত হবলগীয়া বিলাকক ভবিষ্যত বুলি কোৱা হয়। এতিয়াৰ পৰা এশবছৰ পাছত তাৰ অৱস্থা কি হব? এটিয়াৰ পৰা হেজাৰ বা লাখ বছৰ পাছত কি হব? সেই টোৱেই হৈছে মানুহৰ জীৱনৰ প্ৰাধান প্ৰশ্ন।

এইটো মানুহৰ বহু দিনীয়া প্ৰশ্নযে, চেতনাই মৃত্যুক জীয়াই ৰাখিব পাৰেনে? মৈদামৰ পাছত জীৱন আছেনে? নে অনন্ত কালটো এক কেতিয়াও সাৰ নপোৱা সপোন বিহীন টুপনি মাত্ৰ? যদি ই সচা হয় তেনেহলে সাধু আৰু দুষ্টৰো সেই একেই শেষ সিদ্ধান্ত হয় তেন্তে

মানুহৰ ভবিষ্যতক বাদ দি বৰ্ত্তমানত যিমান সুখ ভোগ আদি আছে তাক উপভোগ কৰি লোৱাই দেখোন ভাল হব। যিটোৰ পৰা কোনো ফল পোৱা নাযায় তাৰ বাবে পৰিশ্ৰম কৰাৰ কি লাভ আছে। যিটো কেতিয়াও হব নোৱাৰে তাৰ বাবে আশা কৰাৰ কোনো আৱশ্যকতা নাই। আনকি পাচনি পৌলেও কৈছে 'খ্ৰীষ্টত আমাৰ যি আশা সেয়ে যদি আমাৰ এই জীৱনৰ কাললৈ হয়, তেন্তে আমি সকলো! মানুহতকৈ দুৰ্ভগীয়া হৈছোঁ, তেন্তে আহা আমি ভোজন পান কৰোহক কিয়নো কাইলৈ মৰিম' ( ১ কৰিন্থীয়া ১৫: ১৯, ২৩ )।

কিন্তু বহুতো লোকে ভালেই হওঁক বা বেয়াই হওঁক মৃত্যুই শেষ বুলি নিশ্চিন্ত হব পৰা নাই। অতি গভীৰ স্বাভাবিক জ্ঞানে তেওঁলোকক কয় যে মৈদামৰ পিছতো যেন আৰু কিবা এটা আছে। চেতনাই যে মানুহক জীয়াই ৰাখে তাক খৃষ্টিয়ান অখৃষ্টিয়ান সকলোৱে বিশ্বাস কৰে। আনকি লৰা-ছোৱালীয়েও মৃত্যুৰ পাছত আৰু এটা জীৱন আছে বুলি বিশ্বাস কৰে। যেতিয়া মানুহে পাপত পৰি দুখ পায় বা এনে ধৰনৰ জীৱনৰ সংস্পৰ্শলৈ আহে তেতিয়া সি মৃত্যুৰ পাছত জীৱনৰ কথাটো চিন্তা কৰে। এটা অন্তৰত মাত্তে তাক ফুচফুচাই কৈ থাকে যে মৃত্যুৰ পিছত কিবা আছে। বহুতো ক্ষেত্ৰত সি কোনো মতেই বিবেক শক্তিৰ পৰা হাত সাৰিব নোৱাৰে যিটোৱে ভবিষ্যতৰ শেষ বিচাৰৰ দিনৰ কথা সকীয়াই থাকে। মুচলমান সকলৰ বেহস্তৰ লাভ, হিন্দু সকলৰ ব্ৰহ্মত্ব লাভ, বৌদ্ধ সকলৰ নীৰ্ব্বান লাভ ইত্যাদি প্ৰত্যেকৰে একো একোটা ধাৰনা আছে যে মৈদামৰ পাছত আৰু এক জীৱন আছে। মাত্ৰ নাস্তিকতা বাদিৰ বাবেহে মৈদামেই সকলোৰে শেষ সীমা। সিহঁতৰ চেতনা পাপত কঠিন হ'ল সিহঁতে মৃত্যুৰ পাছত জীৱনৰ সম্ভাৱনাক অগ্ৰাহ্য কৰে।

এইটো অৱশ্যে এনে ধৰনৰো হব পাৰে যে মানুহৰ অমৰ প্ৰানে বা শক্তিশালী আৰু স্বাভাৱিক জ্ঞানে তাৰ সৈতে মিছা ধেমালীহে খেলিছে? নাইবা মৃত্যুৰ সিপাৰত আন এটা জীৱনলৈ আহ্বানৰ মৰিচিকা মাত্ৰ বা মানুহক সদায় ইতিকিং কৰাৰ চলনাহে? ঈশ্বৰে এনে নকৰক। সাধাৰনতে গভীৰতাই গভীৰতমলৈ আহ্বান কৰে। প্ৰকৃতিয়েও শিকাইছে যে প্ৰাণী জগতটো স্বাভাবিকতে সত্যতাৰ প্ৰকৃত সম্বন্ধ আছে। যদি পত্ৰ বাহক পাৰো চৰাইটোক তাৰ বাহৰ পৰা দেশান্তৰিত কৰা হয় তাৰ মাজত এনে এটা স্বাভাৱিক জ্ঞানৰ প্ৰেৰণা

আছে যে সি অব্যৰ্থ ভাৱে পুনৰ তাৰ নিজ বাহলৈ ঘুৰি আহিব পাৰে। মাজনিশা, দুপৰীয়া বা বহু দূৰ নহক কিয় সেইবিলাকে তাৰ সেই অকন মানি বুকুৰ মাজৰ সেই স্বাভাৱিক জ্ঞানক কেতিয়াও প্ৰতাৰনা কৰিব নোৱাৰে। সি তাৰ নিজ বাহঁলৈ নিশ্চিন্তই আহিব পাৰে। এটি সামান্য চৰাইৰ জীৱনতকৈ মানুহৰ জীৱন কিমান অধিক মূল্যবান।

চালমন মাছে বছৰছৰ সাগৰত কটোৱাৰ পাছতো মৃত্যুৰ আগতে কিবা এটা আচৰিত স্বাভাৱিক জ্ঞানে তাক প্ৰথম যি ঠাইৰ পৰা আহিছিল তালৈ লৈ যায়। অতি কোবাল সোঁতৰ বিৰুদ্ধে তাৰ পথ উলিয়াই জল প্ৰপাতেদি খুন্দিয়াই আহাৰ বা বিশ্ৰামৰ কোনো চিন্তা নকৰি তাৰ জন্ম ঠাই নোপোৱালৈকে অতি বেগেৰে ধাবিত হয়। অৱশেষত তাৰ জন্ম স্থানতহে তাৰ জীৱনৰ বাকী কাল শেষ কৰে আৰু এনে দৰে উৎপাদনৰ অনুষ্ঠান সম্পূৰ্ণ কৰে। চালমন মাছতকৈ মানুহ কিমান উত্তম।

তেনে হলে ই এনে হব পাৰে নেকী যে মানুহ এই পৃথিৱীত যি তাৰ উচ্চ বুদ্ধিৰ দক্ষতাৰে, প্ৰেমেৰে, বিশ্বাসেৰে, আশাৰে জীৱনৰ পাছৰ বিষয়ে স্বাভাৱিকতে ঈশ্বৰৰ বিবেচনা শক্তিৰে অপেক্ষা কৰি আছে এই সকলো এটা মিছা ধেমালিৰ খেলাহে মাত্ৰ নেকি ? ঈশ্বৰে এনে নকৰক।

প্ৰকৃতিয়েই শিকাইছে যে জীৱনটো স্পষ্ট ভাবে বেলেগ আকৃতিলৈ সলনি হব পাৰে। আনকি মৃত্যুৰ পৰাও সেই জীৱন আহিব পাৰে। সাধাৰণ পখিলাৰ জীৱনলৈ চাওক তাৰ প্ৰথম পৰ্য্যায়টো এটা বৰ আপচু, বগাইফুৰা এটা পাত খোৱা পোক। সেই জীৱনৰ গতি সম্পূৰ্ণ হোৱাৰ পাছত পাত খোৱা পোক লাক বান্ধি দেখা দেখি ভাবে ই হেৰাই যায়। সাধাৰণতে সেই পোকটোৰ জীৱন শেষ হৈ যায়। তাৰ অৱশিষ্ট আকৃতি মাত্ৰ এটা মৰাশহে। আৰু এই মৃত্যুৰ জঠৰ অৱস্থাৰে সি বহুদিন শুই থাকে। অৰ্থাৎ প্ৰকৃতিৰ এটা আচৰ্য্য ঘটনালৈ অপেক্ষা কৰি থাকে। মৰিযোৱা আপচু দেহৰ পৰা এটি অতি ধুনিয়া পখিলাই ওলাই আহে। তাক আৰু মাটিত বগাই ফুৰিবলৈ দিয়া হোৱা নাই দিয়া হৈছে উৰিফুৰিবলৈ ছুটি ধুনিয়া পাখি। এই পখিলাতকৈ মানুহৰ জীৱন কিমান উত্তম।

যীচু খ্ৰীষ্টৰ পাচনি পৌলে প্ৰকৃতিৰ মাধ্যমেৰে মৃত্যুৰ পাছত জীৱন কেনেকৈ আহে তাৰ বহুতো ব্যখ্যা দিছে। তেওঁ ঘেহু ধানৰ গুটি এটাৰ উদাহৰণ দি কৈছে যে তাক মৰিবলৈ মাটিত পিচি দিয়া হয়,

কিন্তু প্ৰকৃতিয়ে তাক আন এটি নতুন জীৱনৰ অলৌকিক ঘটনাৰে সংৰক্ষন কৰি থয়. সেয়ে মৰি যোৱা শস্য গুটিৰ পৰা এটা নতুন জীৱন ওলাই আহে। সেয়ে মাত্ৰ নহয়, ইয়াৰ বংশ বৃদ্ধিও হৈ থাকে। এটা যেহু ধানৰ গুটিতকৈ মানুহৰ জীৱন কিমান বেছি মূল্যবান। ঈশ্বৰে এটি ক্ষুদ্ৰ শস্য গুটিৰ কাৰনে যদি ইমান খিনি কৰে নিশ্চয় তেওঁৰ শ্ৰেষ্ঠ সৃষ্টি মানুহৰ কাৰণেও তেওঁ অধিক কৰিব।

নাস্তিকতাবাদী সকলে কয় যে মানুহৰ চেতনা মাত্ৰ মগজুৰ পৰাহে উদ্ভৱ হয়। যেতিয়া মগজু অচল হয় সেই মানুহজনৰ ব্যক্তিত্বও চিৰদিনৰ বাবে শেষ হৈ যায়। বৰ্তমানৰ বৈজ্ঞানিক বিলাকেও ইয়াক প্ৰমান কৰিবলৈ অক্ষম হৈছে। মগজুটোৱেই প্ৰকৃততে মানুহ জন নহয়। ই এটা মানুহৰ ব্যৱহাৰিক যন্ত্ৰহে মাথোন। যেতিয়া শিশু অৱস্থাৰ পৰা মনুষ্যত্বলৈ সলনি হয় তেতিয়া মগজুও খোপা খুপি জুটিয়া মেৰ খোৱা আৰু পাক খোৱা থৰে থৰে মূৰৰ লাও খোলাৰ ভীতৰত অৱস্থিত হৈ থকা যীৰ নিচিনা এক অঙ্গহে যি বাঢ়ি যায় আৰু যত মানুহৰ জ্ঞান আৰু স্মৃতি সংগৃহিত হয়। সেইটোৰ পৰা মানুহে জ্ঞান লাভ কৰে। কিন্তু জ্ঞান উপাৰ্জন কৰাটোও মানুহৰ নিজস্ব শক্তি নহয়। ইয়াত কিবা এটা সংযোগ কৰা আছে। নমৰাকৈ মানুহৰ মগজুৰ পৰা কিবা এটা অংশ অস্ত্ৰোপ্ৰচাৰ কৰি আতৰাবলৈ আজি চিকিৎসা বিজ্ঞানে সক্ষম হৈছে, কিন্তু তাৰ ব্যক্তিত্ব সদায় একে হৈয়ে আছে। শৰীৰৰ কোনো অংশ জঠৰ ৰোগত ভুগিব পাৰে, বাক শক্তি লোপ পাব পাৰে অথবা মানুহ অঙ্গ ধৰণে অসমৰ্থ হব পাৰে কিন্তু জীয়াই থাকে। সি এটা স্পষ্ট ব্যক্তিত্বৰে মগজুৰ বিনা সহায়ে বাস কৰিয়ে থাকে।

সাধাৰণতে মানুহে পৰ্দাৰ আৰত কি আছে তাক জানিবলৈ আকাঙ্খা কৰে আৰু কৰাটো উচ্ছিৎও। অতীতত ইয়োব নামৰ জ্ঞানি লোক এজনে এই প্ৰশ্নটো উত্থাপন কৰিছিল — 'যদি এজন মানুহ মৰে সি আকৌ জীয়াই থাকেনে? আৰু তেওঁ ইয়াৰ উত্তৰ এনেদৰে দিছে 'কিন্তু মই হলে জানো, মোৰ মুক্তিদাতা জীয়াই আছে, শেষত তেওঁ পৃথিৱীৰ পিছত ঠিয় হব। আৰু মোৰ গাৰ ছাল এইদৰে নষ্ট হলেও মই শৰীৰ বিহীন হৈ ঈশ্বৰক দৰ্শন কৰিম' (ইয়োব ১৯: ২৫-২৮)।

হয় ঈশ্বৰে স্পষ্টকৈ প্ৰকাশ কৰি দেখুৱাইছে যে এই জীৱনৰ পিছত আৰু এক জীৱন আছে। কেৱল মানুহে কৌতুহল মিতাব পৰা কৈহে ই প্ৰকাশিত হোৱা নাই। ঈশ্বৰে অৱশ্যে আমাক সকলোকে

জ্ঞান দিছে যিতোক আমি বুদ্ধিৰে ব্যৱহাৰ কৰিব পাৰোঁ। এইটো স্পষ্ট যে সকলোৱে ওপৰত আমাৰ এই জীৱন প্ৰভুৰ ইচ্ছাতেই সম্পূৰ্ণ কৰিবলৈ আৰু সম্মুখত আহিব লগীয়া কোনো সংকটলৈ ভয় নকৰিবলৈ ইচ্ছা কৰে। দৈৱিক প্ৰকাশৰ উদ্দেশ্য হৈছে মানুহক সতৰ্ক কৰি দিয়া, যাতে এই পৃথিৱীত সিহঁতৰ আচৰণৰ প্ৰতিক্ৰীয়া সিহঁতৰ অনা জীৱনতো প্ৰভাৱ পৰিব। সেই কাৰনে পিছৰ জীৱনত পাব লগীয়া স্থায়ি প্ৰতিফলৰ বাবে বৰ্ত্তমানত নিশ্চয় সাৱধান হব লাগিব।

আহক আমি মৰি আতৰি যোৱা বিলাকৰ বিষয়ে ঈশ্বৰে আমাক কি প্ৰকাশ কৰিব বিছাৰিছে তাকে অনুসন্ধান কৰোহঁক। আমি চাব লাগিব যে যুগে যুগে কেনেকৈ ঈশ্বৰে ভাববাদিৰ দ্বাৰা কথাকৈ খৃষ্টই আহি সম্পূৰ্ণ সত্যক্তো প্ৰকাশ কৰিবলৈ আৰু কাপোৰখন আতৰাই দিয়াটৈলেকে আমাৰ আগত থকা অধ্যায়বোৰৰ দৈৱিক প্ৰকাশৰ তাৎপৰ্য্য বিলাকৰ সুন্দৰ বৰ্ণনা কি দৰে দিয়া হৈছে।

★ ★ ★

## —দ্বিতীয় অধ্যায়—

## বাইবেলে মৃত্যুৰ পিছৰ জীৱন থকাটো প্ৰমান কৰিছে

যদিওবা বিজ্ঞান আৰু প্ৰকৃতিয়ে মৃত্যুৰ পাছত মানুহৰ জীৱনৰ আৰু কিবা এটা অৱস্থাৰ সত্যতাৰ প্ৰমান ভাঙি ধৰিছে এয়া একমাত্ৰ ঐশ্বৰীয় প্ৰাকাশিত বাক্যৰ দ্বাৰাহে হৈছে। যদি যোৱা মানুহৰ প্ৰানত প্ৰতিফলিত জ্ঞানৰ নিৰ্দিষ্ট বিষয়ে আমি জানিব পাৰো যে সেই আত্মাৰ কি হ'ল। এই অধ্যায়ত আমি নতুন নিয়মৰ কেইবা ফাঁকিও কথা মনত ৰাখিব লাগিব, যিটোৱে পাঠক সকলক মৃত্যুৰ পাছত খ্ৰীষ্টিয় সাধু সকলৰ প্ৰান যে সচেতন হৈ সজ্ঞানে থাকে তাৰ প্ৰমান দিছে। আমি মন কৰিব লাগিব যে কেনেকৈ মৃত্যুৰ পিছতো আমাৰ আত্মাৰ গতি বিধি প্ৰথমে ধাৰ্মীকৰ পাছত দুষ্টৰ অৱস্থা কি হৈ আছে।

## ১। মানুহে শৰীৰটোহে বধ কৰিব পাৰে প্ৰাণটোক নহয়

'যি বিলাকে শৰীৰক বধ কৰে আত্মাক বধ কৰিব নোৱাৰে তেওঁ বিলাকলৈ ভয় নকৰিবা। কিন্তু যি জনাই আত্মা আৰু শৰীৰ এই দুয়োকে নৰকত নষ্ট কৰিব পাৰে তালৈ ভয় কৰিবা" ( মথি ১০:২৮ )।

আমাৰ প্ৰভু যীচু খ্ৰীষ্টই এই বিবৃতিত দেহ আৰু আত্মাৰ প্ৰভেদ বৰ স্পষ্টকৈ দেখুৱাইছে। মানুহে দেহাটোহে বধ কৰিব পাৰে কিন্তু আত্মাক নোৱাৰে। মানুহৰ অতি আৱশ্যকীয় অংশটো হ'ল দেহৰ মৃত্যুৰ পাছত জীয়াই থকাটোহে। প্ৰভু যীচুৱে দেহৰ মৃত্যুটোত কিবা ভয় কৰিব লাগে বুলি গনা কৰা নাই ; কিন্তু মানুহে বৰং তেওঁলোকৰ অৱহেলা আৰু অজ্ঞানতাৰ হেতু ঈশ্বৰে যাতে নৰকত দেহ আৰু আত্মাক উভয়কে ধ্বংসৰ বিছাৰৰ সম্মুখিন নকৰে তালৈহে ভয় কৰিব লাগে।

## ২। ধাৰ্ম্মীকৰ আত্মা মৃত্যুৰ পাছত পৰম দেশলৈ যায়

যীচুৱে তেওঁক কলে, মই তোমাক স্বৰূপকৈ কওঁ তুমি আজিয়েই পৰম দেশত মোৰ সঙ্গী হবা" ( লূক ২৩:৪৩ )।

যেতিয়া খৃষ্টই এই কথাসাৰ কৈছিল তেতিয়া তেওঁ আৰু চুৰটো ক্ৰুচতে মাত্ৰ জীয়াই থাকিবলৈ কেই মিনিট মানহে আছিল। তেওঁলোকৰ জীৱন অতি শীঘ্ৰে অন্তিম অৱস্থাৰ ফালে গতি কৰিছিল। মহাপাপীয়ে নিজৰ সকলো কষ্টলৈ পাহৰি মনোযোগেৰে দেখিলে যে ক্ৰুচৰ ওপৰত খৃষ্টই সকলো বেদনা সহজে সহ্য কৰিছে। সি দেখিলে তেওঁক যাতনা দিয়া বিলাকৰ বাবে প্ৰাৰ্থনা কৰিছে আৰু সি যেতিয়া দেখিলে যে প্ৰভু যীচুৱে যে ঈশ্বৰৰ পুত্ৰ তাত নিসন্দেহে মান্তি হ'ল। সি সবিনয়ে প্ৰভুক খাতিলে যেন তেওঁৰ ৰাজ্য পালে তাতেকো মনত পেলাই। প্ৰভু যীচুৱে এই অনুতাপীত জনৰ কান্দোন শুনিছিল আৰু তেওঁক প্ৰতিশ্ৰুতি দিছিল যে দিন শেষ হোৱাৰ আগে আগেই সি তেওঁৰ লগত পৰম দেশত পাবগৈ বুলি।

এইটো প্ৰমানিত হ'ল যে যদি ক্ৰুচ বিদ্ধ চুৰৰ আৰু যীচুৰ আত্মা মৃত্যুতেই বিদ্যমান হৈ থাকে সেই পৰম দেশ পামগৈ বুলি অনুতাপিতক দিয়া প্ৰতিশ্ৰুতি বিপথ গামী হব।

## ৩। ঈশ্বৰ মৃতবিলাকৰ ঈশ্বৰ নহয় কিন্তু জীয়াই থকাবিলা-কৰহে ঈশ্বৰ।

তেওঁ মৃত বিলাকৰ ঈশ্বৰ নহয় জীয়া বিলাকৰহে ঈশ্বৰ, কিয়নো তওঁৰ সম্বন্ধে সকলো জীয়াই আছে" ( লূক:৩৮ )।

চদ্দূকী বিলাকে তেওঁলোকৰ দিনৰ নাস্তিকতা বাদী আছিল। তেওঁলোকে স্বৰ্গদূত নাইবা আত্মা নাইবা পুনৰুত্থান একোৱেই বিশ্বাস নকৰিছিল। এবাৰ যীচুৰ কথাত দায় ধৰিবলৈ বিচাৰি সিহঁতে সাতজন ভাইৰ প্ৰকল্পিত ঘটনাৰ উত্তৰ বিচাৰিলে। যি সকলৰ প্ৰথম জনে তিৰোতা বিয়া কৰি নিঃসন্তান হৈ মৰিল। মোচিৰ বিধি মতে দ্বিতীয় জনে বিধবা গৰাকীক ককায়েকৰ বংশ ৰক্ষা কৰিবলৈ বিয়া কৰিলে, আৰু ক্ৰমান্বয়ে এই দৰে সাত জনেও মৰিল। যদি পুনৰুত্থান হয় তেন্তে সেই তিৰোতা গৰাকী কাৰ পত্নী হব বুলি তেওঁলোকে সুধিলে।

যীচুৱে, সিহঁতৰ আত্মিক অজ্ঞানতাৰ বিষয়ে জনাই প্ৰশ্নৰ উত্তৰ দিলে প্ৰথমে তেওঁ কলে যে যি বিলাক মৃত্যুৰ পৰা পুনৰুত্থান হয় সিহঁতৰ কোনেও বিয়া নকৰে আৰু বিয়া কৰিবলৈও দিয়া নহয়। দ্বিতীয়তে কলে যে পুনৰুত্থানৰ পাছত তেওঁবিলাক স্বৰ্গদূত তুল্য হয়। যীচুৱে সিহঁতৰ ভ্ৰান্ত বিশ্বাস দূৰ কৰিবলৈ অলপ্ত জোপোহাত মোচিলৈ দিয়া ঈশ্বৰৰ বিবৃতিৰ বিষয়ে কলে। ইয়াত ঈশ্বৰে নিজকে আব্ৰাহামৰ, ইচাহকৰ আৰু বুজালে যে 'ঈশ্বৰ মৃতবিলাকৰ ঈশ্বৰ নহয় কিন্তু জীয়া বিলাকৰহে ঈশ্বৰ।' ইয়াৰ দ্বাৰা তেওঁ কি বুজাবলৈ চেষ্টা কৰিছে? তেওঁ ইয়াকে বুজাবলৈ বিচাৰিছে যে বিশ্বব্ৰহ্মাণ্ডৰ কৰবাত আব্ৰাহাম, ইচাহক আৰু যাকোব সচেতন হৈ ঈশ্বৰত বিলীন হৈ আছে।

## ৪। দেহ ত্যাগ কৰাটো প্ৰভুৰ সান্নিধ্যলৈ যোৱা

"কাৰন মই এই দুটৰে চেপাত সোমাই আছোঁ ইয়াৰ পৰাগৈ খ্ৰীষ্টৰ লগত থাকিবলৈ মোৰ ইচ্ছা, কিয়নো সেয়ে অতি অধিক গুনে উত্তম। কিন্তু তোমালোকৰ কাৰণে মাংসত থকাই অধিক প্ৰয়োজন' (ফিলিপীয়া ১:২২,২৩-২৪)।

পাচনি পৌলে ইয়াত এটা প্ৰকাশিত বিবৃতি দিছে। এই বিবৃতি দিয়াৰ সময়ত তেওঁ প্ৰভু যীচুৰ হকে বহুবছৰ শ্ৰম কৰিছিল। এতিয়া তেওঁ বুঢ়া পৌল। তেওঁৰ শক্তি নাই, লানি নিছিগা অসুখত আৰু নিৰ্য্যাতনৰ দুৰ্ব্বলতাৰ হেতু তেওঁ ত্ৰানকৰ্ত্তাৰ সৈতে একে লগে থাকিবলৈহে ইচ্ছা কৰিছিল। তথাপি ফিলিপীত থকা সকলৰ পৰিত্ৰানৰ দায়িত্ব বোধ অনুভৱ কৰিছিল। ফিলিপীয় সকলৰ কাৰনে লিখা চিঠিত কৈছে যে তেওঁ খ্ৰীষ্টৰ ওচৰলৈ যাবগৈনে নে যিসকলৰ তেওঁৰপৰা সাহাৰ্য্যৰ আৱশ্যক তেওঁলোকৰ বাবে প্ৰতীক্ষা কৰি, এই দুটাৰ চেপাত তেওঁ সোমাই আছে। শেষবটো ব্যৱস্থাকে তেওঁৰ চিন্তা কৰি বেচি আৱশ্যকীয় বোধ কৰিলে যে তেওঁ আৰু এটা ঋতু তেওঁলোকৰ সৈতে একে লগে চলি থাকিব। আচল কথা হ'ল পৌলে বিশ্বাস কৰিছিল যে তেওঁ দেহ-ত্যাগৰ পাছত খ্ৰীষ্টৰ লগতেই থাকিব। ইয়াতে যদি চেতনা শেষ হৈ যায় আৰু কবৰতেই সকলো শেষ বুলি ভাবে তেতিয়া এই পৃথিবী এৰি যাবলৈ কোনো প্ৰবৃত্তিয়েই নহল হেতেন। বৰং তেওঁ জানিছিল

যে যেতিয়া তেওঁ এই পৃথিবী এৰি যাব তেতিয়া স্বৰ্গীয়ে তেওঁক যীচুৰ সম্মুখত হাজিৰ কৰোৱাব। সেই কাৰনেই তেওঁ পৃথিৱী এৰি যোৱা সেই মুহুৰ্ত্তলৈ আশাৰে বাট চাইছিল।

## ৫। তৃতীয় স্বৰ্গ লৈ যোৱাৰ, পৌলৰ, পৌলৰ অভিজ্ঞতা

খৃষ্টত আশ্ৰয় লোৱা এনে এজন মানুহক মই জানো যে, চৌদ্ধ বছৰৰ আগেয়ে, স শৰীৰেৰে নে নিঃশৰীৰে তাকেহে নাজানো ঈশ্বৰেহে জানে, তেওঁক তৃতীয় স্বৰ্গলৈ নিয়া হৈছিল। সেই ৰূপ মানুহক মই জানো, তেওঁক পৰম দেশলৈ নিয়া হ'লত তেওঁ অনিৰ্ব্বচনীয় আৰু মানুহে নোকোৱা কথা শুনিবলৈ পাইছিলে।" (২ কৰিন্থীয়া ২:২-৪)। পৌলৰ এক আচৰিত অভিজ্ঞতা হৈছিল যে তেওঁক পৰম দেশলৈ নিয়া হৈছিল আৰু তাত আচৰিত বিষয়বোৰ দেখিছিল যিবোৰ ব্যক্ত কৰিবলৈ তেওঁ বাধা বোধ কৰা নাছিল। তথাপি তেওঁ আমাৰ আগত সেই বিষয়ৰ সম্বন্ধে বিশেষ মনোযোগেৰে কথা কিছুমান কৈছে পৌলে কৈছে যে তেওঁ যেতিয়া এই বিষয়বোৰৰ সাক্ষ্য দিছিল তেতিয়া তেওঁ দেহেৰে আছিল নে বিনা দেহে আছিল তাক সঠিক নাজানিছিল। এনিয়াৰ দৰেই পৌলকোঁ স শৰীৰেৰে স্বৰ্গলৈ লৈ গৈছিল। কিন্তু পৌলে অৱশ্যে সঠিক নাজানিছিল যে এইটো কি ঘটিছিল। আচলতে ই সন্দেহ জনক যে এইটো দৰাচলতে ঘটিছিল নে নাই। কিছুমানে বিশ্বাস কৰে যে পৌলে এইটো দৰ্শনহে পাইছিল। যেতিয়া তেওঁক শিল দলিয়াই বধ কৰি এৰি থৈ গৈছিল। ৰচনাৰ প্ৰসঙ্গত এই অভিজ্ঞতাৰ বিষয়ে উল্লেখ কৰিছে (২ কৰিন্থীয়া ১১:২৫; পাচনিকৰ্ম্ম ১৪:১৯-২০)। এইটো সম্ভৱ যে পৌলক স শৰীৰেৰে পৰম দেশলৈ নিয়া হৈছিল। পৌলে তেওঁৰ বিবৃতিত ইয়াক প্ৰকাশ কৰিছে যে তেওঁ এইটো বিশ্বাস কৰে যে তেওঁ বিনা দেহেৰে হলে আত্মাটোৰে স্বৰ্গৰ বিষয় বোৰৰ সাক্ষ্য দিয়াটো সম্ভৱ নহয়। তেওঁ এই সিদ্ধান্ত কৰিলে যে, যেতিয়া আত্মাই দেহাটো এৰি যায় ই তেতিয়াও সচেতন হৈ থাকে আৰু স্বৰ্গৰ সুখ ভোগ কৰিবলৈ সক্ষম হৈ থাকে।

★ ★ ★

# —তৃতীয় অধ্যায়—

## ধনী মানুহজন আৰু লাজাৰ

মৃত্যুৰ পাছত জীৱন থকাৰ বিষয়ে প্ৰভু যীচুৱে এই দৰে কৈছে সমাধিয়েই শেষ নহয়। মৃত্যুৰ পাছত মানুহৰ স্থিতি থকাৰ প্ৰকৃতিৰ বিষয়ে পুৱনী নিয়ম কিছু পৰিমানে দেখুওৱা আৱশ্যকীয় তথ্য আমাৰ আগত দাঙি ধৰাতো আমি দেখিছোঁ। ইয়াৰ শিক্ষাৰ পৰা আমি দেখো যে প্ৰানটোৰ এটি মধ্যবৰ্ত্তী অৱস্থা আছে যে স্থিতি থকাৰ প্ৰকৃতি সম্পূৰ্ণ নিভৰ কৰিছে পৃথিৱীত মানুহৰ বাস কৰা কালৰে ওপৰত। আমি পুৱনি নিয়মত চাই পাইছোঁ যে পৰলোকত স্পষ্ট ভাবে ধাৰ্ম্মীক আৰু দুষ্টৰ মাজত পৃথক আছে। আমি এতিয়া দেখিম যে দেহৰ পৰা প্ৰানটো ওলাই যোৱাত কি অৱস্থাৰ সম্মুখিন হয় সেই বিষয়ে প্ৰভু যীচুৱে পৰ্দ্দাখন আতৰাই দিয়াত কি প্ৰকাশ পালে ইয়াক তেওঁ ধনী মানুহজন আৰু লাজাৰৰ উপাখ্যানতেই দেখুৱা হৈছে। ধনী মানুহজন আৰু লাজাৰৰ উপাখ্যানটো প্ৰচলিত জ্ঞানৰ উপমা নহয়। উপমা হৈছে দেখা নোপোৱা বিষয়ৰ মাজৰ সাদৃশ্য।

অদৃশ্য বস্তুৰ বিষয়ে সিইতৰ এটি প্ৰত্যক্ষ বিবৃতি আমি ইয়াত দেখিবলৈ পাইছোঁ। যেতিয়া যীচুৱে কৈছিল যে তাত কোনো এজন ধনী মানুহ আছিল, নহলে তাত কোনোবা এজন ধনী মানুহ আছিল বুলি আমি খুব কমেহে বিশ্বাস কৰিবৰ্গো হেতেন। যীচুৱে এজন সম্পত্তিশালী মানুহক বাছিছিল মৃত্যুৰ পাছত অপৰিবৰ্তিত লোকৰ কি ঘটিল ব্যাখ্যা দিয়াতো গভীৰ অৰ্থবোধক। এইটো মন কৰিব লগীয়া কথা যে ধনী মানুহ জনক এটা পাপৰ বাবেও দোষী কৰা নাই। তেওঁৰ দুৰাচাৰী বুলিও কোৱা হোৱা নাই। জগতৰ চকুত নিঃসন্দেহে কব পৰা যায় যে তেওঁ এজন সিদ্ধ পুৰুষ আছিল। তেওঁৰ ধন অসৎ উপাৰ্জনৰ বুলিও কোনো উল্লেখ নাই; আৰু তেওঁৰ সম্পদ দৈবিক আশিৰ্ব্বাদৰ পৰা হোৱা বুলি কিছুমানে মত প্ৰকাশ কৰে।

তেওঁ পৃথিৱীৰ পৰা পাব লগীয়া সকলো দানেই পাইছিল। তেওঁৰ পিন্ধনত মিহি পাতৰ কজলা বৰণৰ ৰাজ সাজ আৰু ইচ্ছা মতে শৰীৰৰ সম্ভোগ আৰু অপৰিমিত খৰছ কৰিব পৰা ক্ষমতা আছিল। মানুহৰ মতে জীৱনৰ সকলো ভাল বস্তু তেওঁ উপভোগ কৰিছিল।

তেওঁৰ চৰিত্ৰৰ নিশ্বাস মাত্ৰ এই পৃথিৱীৰ বাবেহে বৈছিল আৰু ইয়াৰ পৰিনামৰ বাবে তেওঁ কোনো চিন্তাই কৰা নাছিল। জীৱনটো এই পৃথিৱীত এটা শেষ নোহোৱা বস্তু বুলিয়েই তেওঁ কাৰ্য্য কৰিছিল। বিবৃতিত প্ৰভু যীচুৱে তাৰ বিপৰীতে আন এটা চৰিত্ৰৰ পৰিচয় দিছে যাৰ নাম লাজাৰ আছিল। লাজাৰ এজন কগীয়া, ক্ষুধিত, মগনীয়া, ফটা কপোৰ পিন্ধা, ধনী মানুহ জনৰ পদূলিতে পৰি থাকি, ধনী মানুহজনৰ খোৱা কাহিৰ পৰা পৰি যোৱা আহাৰৰ টুকুৰাবোৰৰ আশাত বৈ থাকিছিল। ইয়াৰ্লৈকে আমি ধনী মানুহ জনৰ ওচৰত লাজাৰে অনুৰোধ কৰা দেখা নাপাওঁ, দেখা পাওঁ তেওঁৰ দৰিদ্ৰতাকহে। গোটেই শৰীৰ তাৰ ঘা লগা, ৰদে-বৰষুনে জকলা হৈ, ফটা কাপোৰবৈল শুই থকা, কুকুৰে তাৰ ঘা চেলেকা আৰু দিনে দিনে তাৰ শৰীৰ পৰি যোৱা সেই ধনী মানুহ জনে নিতৌ পদূলিয়েদি ওলোৱা সোমোৱা কৰোতে বহুবাৰ দেখিবলৈ পাইছিল। লাজাৰে তেওঁৰ পৰা কিমান কি পালে তাকো ইয়াত কোৱা হোৱা নাই। অনুমান কৰিব পাৰি যে ধনী মানুহ জনে তেওঁৰ খোৱাৰ পাটৰ বৈ যোৱা বিলাকহে লাজাৰক দিয়া হৈছিল। ইয়াতে কেৱল সেই চহৰৰ কুকুৰ বোৰকহে তাৰ প্ৰতি সহানুভূতিশীল হোৱা দেখা যায়, কিয়নো সিহঁতে তাৰ ঘাবোৰ চেলেকিছিল।

এই শোকলগা চবি খনিত এটি আশাৰ ৰেঙনি দেখিবলৈ পোৱা যায়। লাজাৰ নামটোৰ অৰ্থ হ'ল 'ঈশ্বৰ মোৰ সহায়''। মানুহৰ দ্বাৰা অৱহেলিত ভোক-পীয়াহত আৰু ৰোগত কষ্ট কৰলৈ এৰিদিয়া এই হত ভগীয়া জনে পৰলোকৰ এটি আশাতৈ বৈ আছিল। তাৰ সমাধিৰ সিপাৰে সি কিবা এটা দেখা পাইছিল। অৱশেষত তাৰ মৃত্যু হ'ল, সি এই পৃথিৱীৰ ক্লেশৰ পৰা মুক্তি পালে। আৰু এ সময়ত সেই ধনী মানুহজনে মৰিল আৰু সমাধিলৈ নি কবৰ দিয়া হ'ল। কিন্তু আমাক লাজাৰৰ কবৰৰ বিষয়ে একো কোৱা হোৱা নাই, মুঠতে এজন মগনীয়াৰ মৃত্যুতহে ঈশ্বৰে বিশেষ গুৰুত্ব দিছে কবৰ দিয়া বা নি দিয়াত নহয়। আন

হাতে ধনী মানুহ জন মৰাত তাক মহাসমাৰোহেৰে সমাধিটৈল নি কবৰ দিয়া হৈছিল। সম্ভৱত তেওঁ সমাজত এজন লেখত লব লগীয়া ব্যক্তি আছিল। হয়তো খুব প্ৰশংসনীয় আছিল। লাহে লাহে যি কি নহওঁক সকলোৱে তাক পাহৰি গ'ল আৰু তাৰ দেহাও মাটিত বিলিন হ'ল।

ইয়াতে প্ৰভু যীচুৱে এই ঘটনাৰ এটি নতুন বৰ্ণনা দিছে ইয়াৰ তাৎপৰ্যটো হ'ল এনে ধৰনৰ, তেওঁ মৃত্যুৰ পিছত কি হ'ল সেই বিষয়ৰ ব্যাখ্যা দিছে যৰ পৰা হয়তো মানুহৰ জীৱন চৰিত্ৰ লিখা সকলে বৈ যাব লাগিব তাৰ পিছতও যে কিবা আছে তাক প্ৰকাশ কৰিছে। তেওঁ মৃত্যুৰ ৰহস্যৰ আৰ কাপোৰ খন দাঙি দিলে আৰু দেখুৱাই দিলে যে ধনী মানুহজনৰ বা লাজাৰৰ কাৰোৱেই বাবে এই ঘটনাৰ শেষ নাই, কিন্তু দুয়োজনৰে আত্মাই পোনে পোনেই পৰলোকৰ ওচৰা ওচৰিকৈ অৱস্থিত এক বিশেষ বিশেষ সংমণ্ডলটৈল গ'ল। তাৰোপৰি আমাক জনোৱা হৈছে যে পৰলোকৰ এই সংমণ্ডল দুটাৰ মাজত ডাঙৰ ব্যৱধান আছে।

## স্বৰ্গৰ দূতবিলাকে লাজাৰক লৈ গ'ল

লাজাৰৰ মৃত্যুৰ ঘটনাৰ ব্যাখ্যা কৰি প্ৰভু যীচুৱে আমাক এজন ধাৰ্ম্মীকৰ মৃত্যুৰ পাছত কি হয় তাৰে দৃশ্য এখন আমাৰ আগত ডাঙি ধৰিছে। লাজাৰৰ আত্মাটো দেহৰ পৰা বাহিৰ হোৱাৰ লগে লগে স্বৰ্গদূতবিলাকে উঠাই লৈ বৰ আৰাম দি পৰম দেশটৈল লৈ গ'ল। পৰম দেশৰ কথা বুজাবটৈল প্ৰভু যীচুৱে ইয়াত আব্ৰাহামৰ কোঁলা বুলি বৰ্ণনা দিছে প্ৰভুৰ দূতবিলাকে আত্মাটোক যে পৰম দেশটৈল লৈ গ'ল ইয়াত আচৰিত হব লগীয়া একো নাই। বাইবেল শাস্ত্ৰত পৰিষ্কাৰকৈ প্ৰকাশিত যে "যিহোৱাৰ দূতে তেওঁটৈল ভয় ৰাখোতা বিলাকৰ চাৰিও ফালে ছাউনি পাতে আৰু তেওঁলোকক উদ্ধাৰ কৰে" (গীতমালা ৩৪:৭)। ধৰ্ম্মগীত ৰচক দায়ুদে আমাক কৈছে। যে যিহোৱাই তেওঁত বিশ্বাস কৰা সকলৰ ভাৰ দূত বিলাকক অৰ্পন কৰিছে।

"কিয়নো, তোমাৰ সকলো পথত তোমাক ৰক্ষা কৰিবটৈল তেওঁ তেওঁৰ দূতবিলাকক তোমাৰ বিষয়ে আজ্ঞা দিব" (গীতমালা ৯১:১১)। প্ৰভু যীচুৱে কৈছে যে বিশ্বাসী সকলৰ লৰাছোৱালীবোৰ। তেওঁলোকৰ

লগীয়া হিচাবে একো একোজন অভিভাৱক দূত আছে। "সাৱধান হোৱা তোমালোকক কওঁ, স্বৰ্গত সিহঁতৰ দূত বিলাকে স্বৰ্গত থকা মোৰ পিতৃৰ মুখ সদায় দেখা পায়" (মথি ১৮:১০) এজন বিশ্বাসীৰ জীৱনৰ প্ৰত্যেক ক্ষনতে এজন স্বৰ্গদূতৰ উপস্থিতি হওঁক বা নহক, কিন্তু এইটো সত্য যে তেওঁৰ মৃত্যুৰ সময়ত স্বৰ্গদূত সকল উপস্থিত থাকে। ই এটা অনাশাক্ত ঘটনা যে বহুতেই শেষ নিশ্বাসৰ সময়ত স্বৰ্গদূত দৰ্শন পোৱাৰ সাক্ষ্য দিয়ে।

এইটো এটা সুচিন্তা যে যেতিয়া ধাৰ্ম্মীকৰ মৰনৰ কাল আহে, তেতিয়া স্বৰ্গদূত বিলাকে আত্মাটোক লবলৈ আহে আৰু ইয়াক নিৰাপদে সঠিক ঠাইলৈ লৈ যায়। মানৱ জাতিৰ সমাজ ব্যৱস্থাত লাজাৰ একেবাৰেই নিম্নথাপৰ আছিল। তেওঁ মাত্ৰ এখন ফটা কাপোৰ পিন্ধি এজন ঘিন লগা ঘুৰীয়া মগনীয়া আছিল। তথাপি তাৰ মৃত্যুৰ সময়ত কেৱল এজন মাত্ৰ নহয় কেবাজনো স্বৰ্গদূত নিবলৈ আহিছিল। স্বৰ্গদূত বিলাকে তাৰ আত্মাটোক আব্ৰাহামৰ বুকুলৈ বা কোলালৈ বৰ শান্তিৰে লৈ গৈছিল।

ধনী মানুহজনৰ মৃত্যুত স্বৰ্গদূতৰ উপস্থিতিৰ বিষয়ে আমি একো নেজানো। তেওঁ হয়তো একচেতীয়া ভাবে জগতৰ বাবেই জীৱন নিৰ্ব্বাহ কৰিছিল আৰু হয়তো কাৰো উপস্থিতি কামনাও কৰা নাছিল। নিশ্চিত ভাবে তেওঁৰ ওচৰলৈ কোনোৱা অহাৰ কথা জানিও তেওঁ হয়তো কোনো ব্যৱস্থা লোৱা নাছিল, তেওঁ হয়তো নিজে নিজৰ অৱস্থা লম বুলি ভাবিছিল। তেওঁৰ পদূলি মুখত পৰি থকা মগনীয়াটোক তেওঁ সদায়ে আওকান কৰি আহিছিল। কিন্তু এতিয়া তেওঁ নিজেও এজন মগনীয়া হব লগীয়া হ'ল। তেওঁৰ বাবে চিন্তা কৰোতা এতিয়া কোনো নাই।

যি জনে ঈশ্বৰৰ উপস্থিতি অগ্ৰাহ্য কৰে তেওঁ চৈতানৰ উপস্থিতি আৰু সঙ্গ কামনা কৰে (যীহুদাই খ্ৰীষ্টৰ বিশ্বাসঘাটকতা কৰি আত্মহত্যা কৰাৰ আগতে চৈতান তেওঁৰ ভীতৰত সোমাল (যোহন ১৩:২৭)। সেই কাৰনেই যীহুদাৰ মৃত্যুৰ সময়ত চৈতান উপস্থিত আছিল। নৰকলৈ নামি যাওতেও অবিৰাম ভাবে তাৰ লগতে আছিল নেকি

তাক হলে আমি কব নোৱাৰোঁ। কিন্তু খ্ৰীষ্টই নৰকলৈ নামি গৈ চৈতানৰ হাতৰ পৰা পৰলোকৰ নৰক আৰু মৃত্যুৰ চাবি কাঠি কাঢ়ি লৈ উঠি আহিল (প্ৰকাশিত বাক্য ১:১৮)।

নষ্ট হোৱা মানুহৰ আত্মাবোৰৰ সৈতে চৈতান বিলাকেও নৰকলৈ যায় নে নেযায় তাক কব নোৱাৰি। কিন্তু ইয়াত কোনো প্ৰভেদ নাই, নষ্ট হোৱা আত্মাটো আত্মাৰ ধ্বংসকাৰী চৈতানিক শক্তিৰ দ্বাৰাই আকৰ্ষিত হয়। পৰলোকলৈ আত্মাবিলাকক পৃথিৱীৰ মধ্যাকৰ্ষণ শক্তিৰ বিধানেই টানি লৈ যায়। পাপ আত্মাই বিধান অগ্ৰাহ্য বা ওলোটা কৰিব নোৱাৰে।

## পৰলোকৰ দুটা ভাগ

বাইবেলৰ পুৰণি নিয়মত আমাক বহুতো স্পষ্ট ইঙ্গিত দিছে যে পৰলোক বা মৃতকৰ থকা ঠাই; এইটো মাত্ৰ একেটা বিভাগ নহয়, ধাৰ্মিক আৰু দুষ্টৰ দুটা পৃথক পৃথক স্থান ৰখা হৈছে। আমি এতিয়া ইয়াক জানিব লাগিব যে তাত এটা দুৰ্গম ব্যৱধানে দুয়োখন স্থানক পৃথক কৰি ৰাখিছে। প্ৰভু যীচুৱে সেয়ে প্ৰকাশ কৰিছে যে লাজাৰ আৰু ধনী মানুহ জনৰ গমন একে স্থানলৈ হোৱা নাছিল। কিন্তু দুয়োটা স্থানে ইটোৰ পৰা সিটোলৈ দেখি পোৱা দূৰত্ব আছিল।

ধনী মানুহজন আব্ৰাহামৰ কোঁলালৈ যোৱা নাছিল, কিন্তু পৰলোকৰে অন্য এটা বিভাগলৈহে গৈছিল। কিয় তেওঁক পৰম দেশলৈ নিয়া নহল? যত লাজাৰক নিয়া হ'ল। তাত কেইবাটাও কাৰণ আছে।

১। ধনী মানুহ জন কেৱল এই ধন পৃথিৱীৰ বাবেহে জীয়াই আছিল তেওঁ পৰমদেশৰ কাৰণে একো কৰা নাছিল। পৰম দেশ আছে বুলিও বিশ্বাস কৰা নাছিল। তেওঁ কেতিয়াও ঈশ্বৰৰ সহায় বিচৰা নাছিল। ঈশ্বৰে সেই জনকহে সহায় কৰে যিয়ে তেওঁৰ সহায় বিচাৰে।

২। ধনী মানুহজনে তেওঁৰ বিবেকৰ দ্বাৰাই সকলো অপেক্ষা কৰিছিল। তেওঁৰ পদুলিত পৰি থকা দুখীয়া কণীয়া মগনীয়াটোলৈ অকনো সহানুভূতিৰ চকুৰে চোৱা নাছিল। নিজে অতি দামী পাট কাপোৰৰ সাজেৰে সাজি কাচি, নিতৌ অতি ধুনীয়া আৰু সুস্বাদু আহাৰ খাইছিল।

তেওঁৰ পদুলিতে অভাৱত, ভোকত আৰু পীড়াত পৰি থকা দুৰ্ভগীয়া মগনীয়াটোৰ প্ৰতি তেওঁ কোনোদিনে মনোযোগ দিয়া নাছিল।

৩। আমি অনুভৱ কৰো যে ধনী মানুহ-জনৰ শাস্ত্ৰত মনোযোগ দিয়াৰ আৱশ্যকতা আছিল, যি দৰে এতিয়াও জীয়াই থকা তাৰ ভাই বিলাকৰ আছিল। কিন্তু তেওঁ হয়তো সেইবিলাক বিশ্বাস নকৰিছিল নাইবা জাগতিক বাস্তৱৰ মাজত সোমাই থাকি সেই বিলাকৰ প্ৰয়োজন বোধ কৰা নাছিল।

৪। ই স্পষ্ট যে ধনী মানুহজনে শাস্ত্ৰৰ কথা কিছু জানিছিল। অনুতাপ কি বস্তু তাক তেওঁ জানিছিল (লুক ১৬:৩০), কিন্তু বিশ্বাস কৰিছিল যে অনুতাপৰ বাবে ঈশ্বৰে বিশেষ ৰূপে আচৰ্য্য জনক ঘটনাৰ সৃষ্টি কৰিব লাগিছিল বুলিহে (লুক ১৬:৩১)। কিন্তু প্ৰভু যীচুৱে কৈছিল— 'অনুতাপ নকৰিলে আনবিলাকৰদৰেই তোমালো ধ্বংস হব'। ধনী মানুহ জনে অনুতাপ কৰা নাছিল আৰু সেই অৱস্থাতেই তেওঁ মৰিল অধাৰ্ম্মীকৰ স্থানলৈ গ'ল। তেওঁ ধনী হোৱাৰ কাৰণে নহয়, কিন্তু অনুতাপ নোহোৱাৰ বাবেহে।

ধনী মানুহজনে তাৰ ভুল আৰু অবিশ্বাসৰ ফলত হোৱা এই ভয় লগা অৱস্থাটোৰ কথা গম পালে আৰু বাকীবৰ পৰা ৰক্ষাৰ বাবে সহায় পাবলৈ অনৰ্থক চেষ্টা কৰিলে। আব্ৰাহামৰ ওচৰত অনুৰোধ কৰিলে যে লাজাৰক তাৰ আঙুলি মূৰটো পানীত জুবুৰীয়াই তেওঁৰ জীভাত লগাই দিবলৈ পঠাবলৈ। তেওঁ সেই যন্ত্ৰণাৰ স্থানৰ পৰা বাহিৰ হৈ আহিবলৈ বিচৰা নাছিল। তেওঁ জানিছিল যে সেইটো আৰু কেতিয়াও সম্ভৱ নহয়। তেওঁ অতি ক্ষুদ্ৰ অনুগ্ৰহ বিচাৰিছিল কিন্তু তাৰ পৰাও সি বঞ্চিত হৈছিল। আব্ৰাহামে তেওঁক কৈছিল 'আমাৰ তোমাৰ মাজত বৰ ডাঙৰ শূন্য ঠাই স্থাপিত আছে তাতে ইচ্ছা কৰিলেও লোকে ইয়াৰ পৰা তোমালোকৰ ভালৈ পাৰ হৈ যাব নোৱাৰে আৰু তাৰ পৰাও আমাৰ ইয়ালৈ কোনেও পাৰ হৈ আহিব নোৱাৰে'(লুক ১৬:২৬)।

যীচুৱে পৰিস্কাৰকৈ দেখুৱাইছে যে মৃতকৰ স্থান সীমাবদ্ধ, পৰলোকত ধাৰ্ম্মীক সকলৰ আৰু অধাৰ্ম্মীক সকলৰ কেতিয়াও মিল নহয়। পাপ এটা সোচৰা ৰোগ। ই এজনৰ পৰাই আন জনলৈ বিয়পি পৰে।

পৃথিৱীত আজি কোটি কোটি লোক এই দুখ লগা দুষ্টতালৈ আনৰ দ্বাৰাই টানি নিয়া হৈ আছে। সেই কাৰনেই ঈশ্বৰে কানান দেশবাসীক ধ্বংস কৰিবলৈ ইজৰাইলৰ সন্তান বিলাকক আদেশ দিছিল জানোছা ইজৰাইলৰ সন্তান বিলাক সিহঁতৰ অসৎ প্ৰবৃত্তিৰ অনুকৰন কৰি নষ্ট হয় তাৰ বাবে দৃষ্টি ৰাখিছে। পৃথিৱীত যাতে পাপীয়ে অনেক পাপৰ ৰোগেৰে আক্ৰান্ত কৰিব নোৱাৰে আৰু পাপে স্বাধীনতা পাব নোৱাৰে তাৰ বাবে ঈশ্বৰে এই ব্যৱস্থা লৈছিল। সংক্ৰামক ৰোগ বিয়পা ঠাইৰ পৰা যেনেদৰে ভালে থকা মানুহ খিনিক আতৰি যায় সেই দৰে ঈশ্বৰেও ইজৰাইলৰ সন্তান বিলাকক সিহঁতৰ লগত চলাফিৰা নকৰিবলৈ কৈছিল। (দ্বিতীয় বিবৰনী ৭.১-৭)। ধাৰ্মীক আৰু পাপী সকলৰ মৃতাত্মাৰ স্থানৰ মাজত ডাঙৰ শূন্য ঠাই আছে। মৃত্যুৰ পাছত প্ৰত্যেকেই নিজৰ নিজৰ ঠাইলৈ যায়। ধাৰ্মীকে ধাৰ্মীক বিলাক থকা ঠাইলৈ আৰু পাপী বিলাক পাপী বিলাক থকা ঠাইলৈ যায়। ধাৰ্মীক সকলক ঈশ্বৰে কেতিয়া পাপীবিলাকৰ পাপৰোগৰ দ্বাৰা আক্ৰান্ত হৈ নিজৰ নিজৰ ধাৰ্মীকতাক বিপদাপন্ন কৰি লবলৈ নিদিয়ে। সেয়ে ধৰ্ম্ম শাস্ত্ৰত কোৱা হৈছে যে যীহুদাই তেওঁৰ নিজৰ স্থানলৈ গ'ল গৈ বুলি '(পাঁচনিকৰ্ম্ম ১:২৫)। এজনৰ আচৰনৰ দ্বাৰা আনজনৰ আচৰন আকৰ্ষিত হোৱাটো চিৰন্তন ৰীতি। দুষ্ট আত্মাবোৰ উদ্ধাৰ পোৱা আত্মাবোৰৰ সৈতে কেতিয়াও মিলিব নোৱাৰে। যদি সিহঁত পৰম দেশত যাব লগীয়া হয় তেন্তে সিহঁতে তাত নিজকে নিজে বৰ অকলসৰীয়া আৰু দুৰ্ভগীয়া বুলি অনুভৱ কৰিব। সিহঁতৰ বাবে নৰকেই শ্ৰেয় কাৰন যি যেনেকুৱা সি তেনেকুৱা বিলাকৰ লগত থকাহে উচিৎ।

## মৃত্যুৰ পিছতওঁ মানুহৰ বিবেচনা শক্তি থাকে আৰু শৰীৰত থকা আনবোৰৰ অনুৰূপ চেতনাও আত্মাৰ থাকে।

প্ৰভু যীচুৱে প্ৰকাশ কৰিছে যে মৃতকৰ আত্মা সজ্ঞানে থাকে। ধনী মানুহ জন আৰু লাজাৰৰ উপাখ্যানটো এটা সাধু কথা মাত্ৰ বুলি প্ৰমান কৰিবলৈ বহুতে বহুতো চেষ্টা কৰিছে। খ্ৰীষ্টই তাকেই কৈছিল যে যথাৰ্থ ঘটনাৰ কোনো মূল্য নাই। আনকি সেইটোকে ভাবিবলৈ যে গল্পটো এটা উপমা আছিল (আৰু ই তাতকৈ বহুগুনে গুৰুত্বপূৰ্ণ) বুলি কয়। ই এনেকুৱা হব পাৰেনেকি বাৰু যে ই আমাক মৃত্যুৰ পাছত সচেতনতাৰ বিষয়ে নিশিকাই ইয়াৰ ঠিক ওলোটাটোহে শিকাইছে?

যিটো শিকাইছে সেইটোৱেই যদি নহল হেতেন তেতিয়া হলে কিবা এটা শিকাবলৈ লোৱাটোৱেই অসম্ভব হ'ল হেতেন।

কেৱল শৰীৰটোৱেই মানুহ নহয়, আমাৰ শৰীৰত পঞ্চ ইন্দ্ৰিয়ই দিয়া জ্ঞান থকাৰ দৰেই আত্মাৰো অনুৰূপ জ্ঞান আছে। ধনী মানুহ জন পৰলোকত সম্পূৰ্ণ সচেতন অৱস্থাতে আছিল।

১। তেওঁ দেখিছিল। তেওঁ পৰলোকত যাতনা পাই ওপৰলৈ চকুতুলি লাজাৰক আব্ৰাহামৰ কোলাত আৰাম কৰি থকা দেখা পাইছিল (লূক ১৬:২৩)।

২। তেওঁ শুনিছিল। আব্ৰাহামে কোৱা কথা খিনি স্পষ্টকৈ শুনিছিল (লূক ১৬:২৫-৩০)

৩। তেওঁ কথা কব পাৰিছিল। তেওঁ আব্ৰাহামক অনুৰোধ কৰিছিল লাজাৰক পঠাই দিবলৈ।

৪। তেওঁ সোৱাদ লবও পাৰিছিল। তেওঁৰ জিভাত পানী লগাই দিবলৈ অনুৰোধ কৰিছিল।

৫। তেওঁৰ অনুভৱ কৰিব পৰা শক্তিও আছিল। তেওঁ যাতনা পাইছিল।

৬। তেওঁৰ স্মৃতি শক্তিও আছিল। আব্ৰাহামে কৈছিল 'পুত্ৰ, তুমি তোমাৰ জীৱন কালৰ কথা মনত পেলোৱা'।

৭। তেওঁ অনুতাপ কৰিছিল। লাজাৰক তেওঁৰ পাচজন ভায়েকক অনুতাপ কৰাবলৈ ধৰ্ম্মোপদেশ দিয়াটো বিচাৰিছিল।

পৰলোকতো ধনী মানুহজনৰ বিবেচনা শক্তি আছিল। বুজিব পৰা যায় যে তেওঁৰ চেতনা সম্পূৰ্ণ সজীৱ আছিল। প্ৰশ্ন এটা উদয় হয় যে মৃত্যুৰ পিছত চকুৰ স্বাভাৱিক জ্যোতি হেৰাই যোৱাৰ পাছত ধনী মানুহ জনে কেনেকৈ দেখাপাইছিল? নাইবা সেইটো সমাধিত

থকা অৱস্থাত তেওঁ কেনেকৈ জুতি পাইছিল, অনুভৱ কৰিছিল বা শুনিছিল? ইয়াৰ উত্তৰটো একেবাৰেই সহজ। দেহত থকা স্বাভাৱিক চেতনা শক্তিৰ দৰে আত্মাৰো চেতনা শক্তি আছে। টুপনীত যেতিয়া মানুহে সপোন দেখে তেতিয়া তাৰ চকু কান সম্পূৰ্ণৰূপে বন্ধ হৈ থাকে, চকু দুটা জাপ খাই থাকে কান দুখনেৰে একো নুশুনা হৈ থাকে তথাপি সি দেখে আৰু শুনে।

## ধনী মানুহ জনৰ অনুশোচনা বা অনুতাপ

"ধনী মানুহ জনৰ অনুৰূপ তাৰ আত্মাটোৱে অনুতাপ কৰিছিল বা অনন্ত জীৱনত ভুগিব লগীয়া যাতনাৰ ভয়ত আতঙ্কিত হৈছিল।" ঈশ্বৰৰ উপস্থিতি বিহীন জীৱনৰ এই পৃথিৱীত এক মৰ্ম্মভেদী পৰিস্থিতিহে মাত্ৰ। স্বৰ্গদূত বা জগতৰ পৰা কোনো বাৰ্ত্তাবাহকেই মৃত্যুৰ পাছত আত্মাটোক বিশ্ৰাম আৰু শান্তি ঠাই এখনলৈ লৈ যাব নোৱাৰে। অসঙ্গত আৰু দুষ্ট লোকে আন আন অসঙ্গত আৰু দুষ্ট জীৱ থকা ঠাই খনলৈ মধ্যাকৰ্ষন শক্তিৰ দ্বাৰাই মাৰাত্মক ভাবে টানি নিয়া হয়। দুষ্ট বিলাক বাস কৰা সেই পৰলোকত কোনো ধৰনৰ শান্তি নাই। তাত আহাৰ পানী একোৱেই নাই, আত্মাটোক শান্তি দিব পৰা একোৱেই নাই। আটাইতকৈ দুৰ্য্যোগটো আছিল একেবাৰে নিৰাশা।

ধনী মানুহজনে তাৰ পৰা ৰক্ষা পাবলৈ কোনো আশা কৰা নাছিল। স্বৰ্গৰ পবিত্ৰতা, নিৰ্ম্মলতা আৰু নিশ্চয়তাই তাক স্বৰ্গত সোমোৱাৰ পৰা বাধা দিছিল। তেওঁক মনত পেলাই দিয়া হৈছিল যে তেওঁৰ থকা ঠাই আৰু লাজৰ থকা ঠাইৰ মাজত এক মহা শূন্য ঠাই আছে। অধাৰ্ম্মীকৰ পৰলোকৰ পৰা ধাৰ্ম্মীকৰ পৰলোকৰ কোনো সঙ্গম হব নোৱাৰে। তেওঁ স্মৰন কৰিলে যে সৃষ্টিকৰ্ত্তা আৰু মুক্তিদাতা ঈশ্বৰক অৱহেলা আৰু অবিশ্বাস কৰিছিল। অনৰ প্ৰতি নিষ্ঠুৰতা আৰু আপোন পেটিয়া স্বভাৱে তাক সেই নিষ্ঠুৰ আৰু নিৰ্য্যাতনৰ ঠাইলৈ চলাই লৈ গ'ল। কিযে দুৰ্যোগ! এক অসহ্য নিৰাশাময় অৱস্থা।

ধনী মানুহজনৰ স্মৃতি শক্তি আছিল। সি তাৰ এতিয়ালৈকে জীয়াই থকা পাছজন ভায়েকলৈ মনত কৰিছিল। কোনো সন্দেহ নাই যে সিহঁতে তেওঁৰ সকলো সম্পত্তি ভগাই ললে আৰু তাৰ দৰেই চিন্তা ভাবনাহীন অসাৱধান আচৰনেৰে জীৱনৰ দিনবোৰ কটাব লাগিছে।

সিহঁতে খাই-বৈ মত্ত হৈ উদণ্ড জীৱন যাপন কৰিছে। সিহঁতে নেজানে যে এদিন সিহঁতবোঁ কৰ্কায়েকৰ নিচিনা হোৱা হব। যোতয়া সিহঁতেও তেওঁ থকা সেই আশাহীন নিষ্ঠুৰ যন্ত্ৰনাৰ স্থানত উপস্থিত হব লাগিব। তাত অৱশ্যে বহুটো দুষ্ট আত্মা ইতিমধ্যেই উপস্থিত আছিল। কিন্তু সিহঁত অশান্ত আৰু অকলসৰীয়া আছিল। কিছুমানে কৈছিল পৰলোকলৈ গলে সিহঁতে বহুতো লগৰীয়া পাব, কিন্তু পৰলোকত দৰাচলতে কোনেও কাৰো সঙ্গ নাপায়। ধনী মানুহজনে কেৱল আশঙ্কাৰে সেই ভয়ানক দিনটোলৈ বাট চাই আছিল যি দিন তেওঁৰ ভায়েক কেইজনেও এটাৰ পাছত এটাকে সেই নিশাৰ মৌন বাটেদি সোঁ-সোঁৱাই আহি সেই ভয়ানক অন্ধকাৰৰ দুৱাৰেদি প্ৰৱেশ কৰিবহি আৰু তেওঁৰ দৰে শেষ বিচাৰৰ ভাগি হবহি।

তেওঁ আব্ৰাহামৰ ওচৰত অনুৰোধ কৰিছিল, লাজাৰক তেওঁৰ পিতৃ গৃহত ভায়েক সকলক সাৱধান কৰি দিবলৈ পঠাবলৈ। ই এটা ধ্বংস হৈ যোৱা আত্মাৰ লাভহীন অনুৰোধ আছিল। কিন্তু আব্ৰাহামে তেওঁক কৈছিল যদি তেওঁৰ ভায়েক বিলাকে বাইবেল ধৰ্ম্মশাস্ত্ৰত লিখা কথা বিলাক বিশ্বাস নকৰে তেন্তে মৃত বিলাকৰ মাজৰ পৰা উঠি গৈ কোনোবাই কলেও বিশ্বাস নকৰিব।

'মোচি আৰু ভাববাদী সকলৰ বাক্য যদি নুশুনে, তেন্তে মৃত বিলাকৰ মাজৰ পৰা কোনো এজন উঠিলেও, সিহঁতৰ প্ৰত্যয় নহব'' (লূক ১৬ : ৩১)। ইয়াতে আব্ৰাহাম আৰু ধনী মানুহ জনৰ কথোপ-কথোনৰ অন্ত পৰিল। কিন্তু এটা বস্তু আকৌ তাত যোগ দি আমি অনুমান কৰিব পাৰো যে ধনী মানুহ জন এতিয়া অনুতাপত দগ্ধ আৰু নষ্ট হৈ যোৱা আত্মা। তেওঁ এতিয়াহে ঈশ্বৰৰ পৰিকল্পনা আৰু প্ৰভু যীচুৰ ধৰ্ম্মাদেশবিলাকৰ বিষয়ে জ্ঞান পালে। তেওঁ এতিয়াহে মন পালটনৰ শুভবাৰ্ত্তাক সম্পূৰ্ণ বিশ্বাস কৰে য'ত আৰু কোনো লাভ নাই। তেওঁৰ ভায়েক কেইজনক সাৱধান কৰিদিবলৈ লাজাৰক পঠাবলৈ আব্ৰাহামক অনুৰোধ কৰিছিল। সেয়ে ঈশ্বৰে মৃত বিলাকৰ মাজৰ পৰা উঠাই আচৰ্য্যজনক কাম কৰিবলৈ কোনোমতে অগ্ৰাহ্য কৰা নাছিল। প্ৰভু যীচুৱে আন এজন লাজাৰক মৃত বিলাকৰ মাজৰ পৰা উঠাইছিল; কিন্তু অবিশ্বাসী আৰু ঠৰ দিডিয়া লোক সকলে তথাপি তাক গ্ৰাহ্য নকৰিলে বা মন পালটন নকৰিলে (যোহন ১১ : ৪৩)।

জীয়াই থকা বিলাকৰ বাবেহে আচৰ্য্য জনক কামৰ আৱশ্যকতা আছে। ঈশ্বৰে প্ৰদান কৰা অতি প্ৰাকৃত আচৰ্য্য কৰ্ম্মৰ শক্তি আজিও মণ্ডলীত আছে। আপুনি তাত সোমাওক আৰু হেকৰা আত্মা বিলাকক অনুতাপিত হৈ মনপালটন কৰোৱাত মন দিয়ক যাতে কোনো লোক এই আন্ধাৰ আৰু আশাহীন স্থানলৈ নাহে।

## আব্ৰাহামৰ কোঁলা

এসময়ৰ এটা মগনীয়াৰ ভাগ্যৰ কি তুলনা চাওঁক। যেতিয়া প্ৰভু যীচুৱে এই আখ্যানটো কৈছিল তেতিয়াও লাজাৰ স্বৰ্গত নাছিল, আছিল পৰলোকৰ অন্য এটা ভাগ পৰম দেশতহে। আমি এতিয়া লাজাৰৰ ঘটনাৰ লগত লাগি নাথাকি প্ৰভু যীচুৰ পুনৰুত্থানৰ পাছত ধাৰ্মীক সকলৰ আত্মাৰ কি হ'ল তাকে বহল ভাবে জানিবলৈ চেষ্টা কৰোঁ হওঁক। আমি ইমানে কব পাৰোঁ যে লাজাৰে শান্তি পালে আৰু আব্ৰাহামৰ কোঁলাত আৰাম কৰি তেওঁৰ যন্ত্ৰনা আৰু কষ্টেৰে ভৰা জীৱন কালৰ দিন বোৰ পাহৰি গ'ল বা অন্ত পৰিল। তেওঁ শান্তিতে আছিল। তেওঁৰ আৰু ভোক-পীয়াহ একেবাৰেই নাছিল। তেওঁ আব্ৰাহাম আৰু আন আন ধাৰ্মীক লোক সকলৰ সঙ্গ পাইছিল। তেওঁ এখন শান্তিৰ দেশত বাস কৰিছিল।

# —চতুৰ্থ অধ্যায়—

## পৰলোক আৰু পৰম ঈশ্বৰ দৰ্শন

পবিত্ৰ বাইবেলৰ ধৰ্মীয় বিধান সংস্থাপনৰ কাৰণে প্ৰকাশিত বাক্যতেই আমি সকলো বিষয়ৰ আতিগুৰি জানিব পাৰো। ধাৰ্মীকৰ মৃত্যু আৰু দুষ্টৰ মৃত্যু, এই দুয়োটাৰে অৱস্থাৰ বিষয়ে যথাৰ্থ ঘটনাৰ বুনিয়াদ সম্পূৰ্ণ ভাৱে প্ৰকাশ কৰিছে। প্ৰেতাত্মাবাদৰ দাবী আমি এৰিবও পাৰো, কিয়নো মৃতকৰ আত্মাবিলাকৰ সৈতে যোগা-যোগ ৰখাটো এটা ভুৱাহে। দৰাচলতেই যি বিলাকে ধৰ্মশাস্ত্ৰৰ আদেশ উলঙ্ঘা কৰি মৃত আত্মা সকলৰ লগত যোগাযোগ কৰিবলৈ বিচাৰে, সেই বিলাকক ছলনা কৰিবলৈ এৰি থৈ যোৱা বন্ধু বান্ধৱ বা আত্মীয় স্বজন বুলি ভুৱা দিয়া দুষ্ট আত্মা বিলাকৰহে নাটকীয় ভূমিকা মাত্ৰ ( যিচয়া ৮ : ১৯-২০ )।

যিয়েই নকওক এনে ধৰণৰ কিছুমান আচল ঘটনাও আছে যে কোনো এটা সময়ত মণ্ডলীৰ মানুহ মৰিযোৱাৰ পাছত আকৌ ঘূৰি আহি মণ্ডলীত এক আচৰিত কাহিনী কোৱাও পূৰ্ব্বৰেপৰা মণ্ডলী বিলাকত ঘটি আহিছে। উদাহৰণ স্বৰূপে মৃত লাজাৰাচ চাৰিদিনৰ পিছত জীয়াই উঠিল (যোহনৰ ১১ অধ্যায়)। এটা বৰ ভাল কাহিনী পোৱা গ'ল হেতেন যদি তেতিয়াই তেওঁৰ সেই অভিজ্ঞতাখিনি লিখি সাঁচি থোৱা হ'লে। প্ৰভু যীচুৱে শিষ্য সকলক কৈছিল যে, যেতিয়া তেওঁলোকে মৃতক উঠাব তেতিয়া এক বিশেষ মহিমা হ'ব ( মথি ১০:৮)। সেই দৰে সংঘটিত হৈছিল যেতিয়া পৌল আৰু পিতৰে প্ৰচাৰ কৰিছিল ( পাচনিকৰ্ম্ম ৯:৪০)। প্ৰথম যুগৰ মণ্ডলীৰ দিনত এনে ধৰণৰ বহুটো ঘটনা ঘটিছিল। এনে দৰেও হৈছিল যে এজনৰ আত্মা অস্থায়ী ভাৱে এই পৃথিৱী এৰি গৈছিল কিন্তু তাক আকৌ দেহত প্ৰৱেশ কৰোৱা হৈছিল। দেহৰ পৰা আত্মাটো ওলাই গৈ আকৌ দেহালৈ ঘূৰি অহা লৈকে এই সময় খিনিৰ ভিতৰত কি হ'ল সেই বিষয়ে বাইবেলৰ প্ৰকাশিত বাক্যত বৰ্ণনা কৰা দেখিবলৈ পোৱা যায়।

এনে ধৰণৰ মন কৰিব লগীয়া ঘটনাও আছে যে যীচু খ্ৰীষ্টৰ পাচনি পৌলক শৰীৰেৰে নে অশৰীৰেৰে পৰম দেশলৈ বা তৃতীয় স্বৰ্গলৈ লৈ গৈছিল; এনেদৰে হয়তো কেতিয়াও কওঁ হোৱা নাছিল ( ২ কৰিন্থীয়া ১২ )। নিঃসন্দেহ হওঁলে অতি আধুনিক যুগৰ ভীতৰতে কিছুবছৰ আগতে ঘটি যোৱা এটা মন কৰিব লগীয়া ঘটনালৈ চাও আহঁক।

মাৰিয়াটা ডেভিচ. নামৰ মানুহ এজনীয়ে ন দিনলৈ মূৰ্চ্ছিত হৈ পৰি আছিল। সেই সময় খিনিৰ ভিতৰত তাইৰ আত্মাটোৰ কি হৈছিল আৰু কলৈ গৈছিল কোনেও নেজানিছিল। ৯ দিনৰ পিছত যেতিয়া তাই সংজ্ঞা ঘুৰাই পাইছিল তেতিয়া তাই স্বৰ্গৰ আৰু নৰকৰ দৃশ্য দেখি অহাৰ সাক্ষ্য দিছিল। তাই যিবিলাক কথাৰ সাক্ষ্য দিছিল সেয়া এক ঈশ্বৰীয় নিগূঢ় তত্বজ্ঞানৰ কথাকে প্ৰকাশ কৰিছিল। বাইবেল ধৰ্ম্ম শাস্ত্ৰৰ প্ৰকাশিত বাক্যত বৰ্ণনা কৰা কথাবিলাকৰ সৈতে তাইৰ সাক্ষ্যৰ কথাবিলাকৰ হুবহু মিল আছে। ইয়াৰ পৰা আমি বুজিব পাৰোঁ যে দেহৰ পৰা ওলাই যোৱাৰ পাছত মানুহৰ প্ৰাণৰ এক বিশেষ অৱস্থানত থাকে। মন কৰিব লগীয়া এইয়ে যে জীৱনটো এটা ভাওৱীয়াৰ দৰে এই পৃথিৱীৰ মেলা নাটঘৰ খনত ভালবেয়া সকলো ভাওনা খেলি এই মৰনশীল সংসাৰত কি কি কৰিলে তাৰে এক অনুসঙ্গিক বিবৰনহে মাত্ৰ। ইয়াৰ আচল ৰূপ আৰু স্থায়ী বাসস্থান আছে পৰলোকতহে যত মানুহে কৰ্ম্মৰ আৰু স্বভাৱৰ অনুৰূপ ফল ভোগ কৰিব লাগে।

ইয়াত আমি মাৰিয়াটাৰ সেই আচৰিত অভিজ্ঞতাৰ সাক্ষ্যৰ পৰা অলপ আলোচনা কৰিম। মাৰিয়াই ৯ দিনৰ সময় চোৱাত যেতিয়া দেহৰ পৰা বাহিৰত আছিল তেতিয়া তাই এক ভয়ানক দৰ্শন পাইছিল। এই দৰ্শন পোৱাৰ আগেয়ে তাই নিজকে যীচুখ্ৰীষ্টক সম্পূৰ্ণ কৰা নাছিল বা গভীৰ ভাবে পাপত দোষী হৈ আছিল। তাই জীৱনৰ কোনো আশ্বাস পোৱা নাছিল।

অনুসঙ্গিক ভাবে যেতিয়া তাই ৯ দিন দেহৰ বাহীৰত থাকোতে যি দৰ্শন পালে তাক তাই এনেদৰে বৰ্ণনা কৰিছে। তাই পৰম দেশ আৰু নৰকলৈ গৈছিল। তাই এই দুয়োখন ঠাইৰ কিছু পৰিমানৰ সুখ, দুখ, বেজাৰ, মৰম-স্নেহ লগা স্বভাৱেৰে আকৰ্ষিত হৈছিল। বোধ হয় এই

দুয়োখন ঠাইৰ সাক্ষ্য দিবলৈয়ে ঈশ্বৰে তাইক স্বৰ্গদূতৰদ্বাৰা তুলি নিয়াইছিল। পৰমদেশ পৰিদৰ্শন কৰাৰ উপৰিও তাইক সংক্ষিপ্ত সময়ৰ বাবে নৰকত সোমাই ইয়াৰ কিছুমান নিকৃষ্ট তত্ত্ব জ্ঞান জানিবলৈ দিছিল। তাই আমাক যি সাক্ষ্য দিছে সেয়া লূক ১৬ অধ্যায়ত ধনীমানুহজনৰ অৱস্থাৰ বিষয়ে যীচুৱে আমাক প্ৰকাশ কৰা ঘটনাৰ সৈতে সম্পূৰ্ণ মিল আছে। তাইৰ সাক্ষ্যটো এই পাপময় পৃথিৱীৰ মিছা সুখত ডুবি থকা মৃত্যুৰ পথত অমনোযোগী ভাবে খোজ লোৱা সকলোৰ বাবে এটা পবিত্ৰ চেতনাৰ বাণী। যেতিয়া তেওঁলোকে মানৱ শৰীৰ ত্যাগ কৰি পৰলোকত মন্দতাৰ দ্বাৰা আকৰ্ষিত হৈ নৰক কুণ্ডত বা নিৰাশাৰ যন্ত্ৰনা স্থলত চটফটাই লগীয়া হব। তাইৰ বৰ্ণনা তলত দিয়া হ'ল।

## স্বৰ্গ আৰু নৰকৰ দৰ্শন

মাৰিয়াটাই হঠাৎ দেখিলে যে তৰাৰ দৰে উজ্জ্বল এটি বস্তু তাইৰ ফালে নামি আহিছে। সেই পোহৰটো যেতিয়া ওচৰ আহি পালে তাই দেখিলে যে সেয়া এজন স্বৰ্গদূতহে। স্বৰ্গদূতজনে তাইক সম্ভাষন কৰি কলে "হে মাৰিয়াটা তুমি জানিবলৈ ইচ্ছা কৰা বিষয়টো জনাবলৈ মই আহিলোঁ। মোক সকলোৱে শান্তিৰ দূত বুলি মাতে। তুমি যিখন পৃথিৱীৰ পৰা আহিছা সেইখন ঠাইৰ পৰা অহা সকলে থকা ঠাইলৈ তোমাক পথ দেখুৱাবলৈ মই আহিছোঁ।"

স্বৰ্গদূতজনে তাইক ওপৰলৈ লৈ যোৱাৰ আগতে পৃথিৱীখনৰ চমু দৰ্শন এটা দিছিল যত দূতজনে এই ব্যাখ্যাটো দিছিল। 'সময়ে মানুহৰ স্থিতি আৰু উৎপত্তিৰ পাছত উৎপত্তিৰ বেগী অনুক্ৰম বোৱেৰে জাহি থকা মুহূৰ্ত বোৰৰ সৈতে বেগেৰে সম্পূৰ্ণ কৰে।'

মানুহৰ ওপৰত মৃত্যুৰ পৰিনাম বুজাবলৈ স্বৰ্গদূত জনে এইদৰে কৈছিল — 'মানুহ মৰাৰ পাছত আতৰি যোৱা আত্মাই পৃথিৱীত থকা তাৰ অস্থিৰ আৰু উশৃঙ্খল স্বভাৱ চৰিত্ৰৰ কোনো পৰিবৰ্তন নহয়। সেই উশৃঙ্খল আৰু অপবিত্ৰ প্ৰকৃতিৰ সকলোৱে সিহঁতৰ দৰেই পঞ্চভূতৰ শক্তিৰ দ্বাৰা আকৰ্ষিত হৈ মেঘাচ্ছন্ন ৰাতিৰ দেশত প্ৰবেশ কৰে। যি বিলাকে ভালৰ সঙ্গ বিচাৰি নিজৰ জীৱন ঈশ্বৰৰ হাতত সমৰ্পন কৰি সুসমাজ গঢ়িবলৈ বিচাৰে সিহঁতক মৃত্যুৰ পিছত স্বৰ্গদূতে এক গৌৰৱান্বিত স্থানলৈ তুলিলৈ যায়।"

মাৰিয়াটাই স্বৰ্গদূতজনৰ সৈতে গৈ শেষত যি স্থান পালেগৈ সেয়ে পৰম দেশৰ সীমান্ত বুলি স্বৰ্গদূত জনে তাইক কৈছিল। তাত তেওঁলোকে এখন সমতল ঠাই পালে। সেই ঠাইত তাই গছত ফলধৰা, চৰায়ে গীত গোৱা আৰু সুগন্ধিত ফুল ফুলি থকা দেখিবলৈ পালে। মাৰিয়াটাই তাত কিছু সময় কটাবলৈ মন কৰিছিল কিন্তু তাইৰ পথ প্ৰদৰ্শক দূতজনে তাইক কৈছিল — "আমাৰ সময় খুব কম। তোমাক মৃতকৰ আত্মাবিলাকৰ অৱস্থাৰ জ্ঞান দিবলৈ ঈশ্বৰৰ সন্তান বিলাক থকা ঠাইলৈ লৈ যোৱা হব।"

## তাই ত্ৰাণকৰ্ত্তাক লগ পালে

তাই আৰু তাইৰ পথ প্ৰদৰ্শক জনে এই দৰে গৈ থাকি শেষত সিহঁতে শান্তিৰ নগৰৰ দুৱাৰ পাইছিল। তাত সোমাই তাই সোনৰ বীনাৰে সৈতে স্বৰ্গদূত বিলাক আৰু পবিত্ৰ ঈশ্বৰৰ লোক বিলাকক প্ৰভুৰ প্ৰশংসাৰ গীত গাই থকা দেখিবলৈ পাইছিল। স্বৰ্গদূত জনে তাইক প্ৰভুৰ সন্মুখলৈ লৈ গ'ল যেতিয়া সিহঁতে গৈ একন প্ৰতাপী আৰু মহান ব্যক্তিৰ ওচৰ পালে তেতিয়া দূতজনে তাইক কলে—

'এয়া তোমাৰ মুক্তিদাতা, তোমাৰ বাবেই তেওঁ পৃথিৱীত জন্মলৈ মানুহৰূপে যাতনা ভুগিছিল। তোমাৰ বাবেই তেওঁ অৱশেষত ত্ৰাণ কৰ্ত্তা গছকি নগৰৰ বাহিৰত মৃত্যুবৰন কৰিছিল।' সন্মান সূচক ভয় আৰু কঁপনিৰে তাই তেওঁৰ ভৰী দুই প্ৰনিপাত কৰিলে। যিয়েই নইওক প্ৰভুৱে তাইক তুলি ধৰিছিল আৰু পবিত্ৰান পোৱা বিলাকৰ নগৰলৈ আদৰনি জনাইছিল। তাৰ পিছত তাই স্বৰ্গীয় গায়ক সকলৰ গীত শুনিছিল। তাইক তাইৰ আগতে অহা তাইৰ কিছুমান আপোন জনৰ সৈতে দেখা হবলৈ দিছিল। সিহঁতে তাইৰ সৈতে মুক্ত ভাবে কথা পাতিছিল। সিহঁতক বুজাত তাইৰ কোনো অসুবিধা হোৱা নাছিল। কাৰন 'চিন্তা চিন্তাৰ লগতে যায়।' তাই দেখিছিল যে স্বৰ্গত কোনো গোপনীয়তা নাই। তাই দেখিছিল যে তাইৰ পূৰ্ব্ব পৰিচিত সকলৰ পৃথিৱী এৰি অহাৰ আগৰ ক্লান্তি ভাব একেবাৰে নাইকিয়া হৈ গৈছে। তাৰ ঠাইত আছে সুখ, শান্তি আৰু আনন্দৰ মহা উজ্জলতা।

পৰম দেশত তাই কোনো বাৰ্দ্ধক্য দেখা পোৱা নাছিল। তাই বুজি পাইছিল যে স্বৰ্গৰাজ্যৰ সৌন্দৰ্য্যৰ আৰু মহিমাৰ বিষয়ে যি তাইৰ ধাৰণা আছিল বা বাইবেলে যি কৈছে সেইবিলাকৰ এটাও মিছা নহয়।

স্বৰ্গদূতজনে কৈছিল 'তুমি নিশ্চিত হোৱা আৰু বুজি লোৱা যে মানুহৰ উচ্চ চিন্তাই স্বৰ্গীয় দৃশ্যৰ সত্য আৰু পৰম সুখৰ কাষ চাপিবলৈ অক্ষম হৈছে।"

মাৰিয়াটাক পৰমদেশৰ আন বহুতো লোকৰ সৈতে কথা পাতিবলৈ সুযোগ দিছিল আৰু সিহঁতৰ সৈতে কথা পাতোতে তাই লক্ষ্য কৰিছিল যে সিহঁতে সদায় সিহঁতৰ ত্ৰান কৰ্ত্তাৰ গুন গাই তেওঁৰ প্ৰশংসা কৰিছিল। তাৰে ভীতৰত এজনে এই বিশেষ গীতটো গাইছিল—

"হে মৃত্যু তোমাৰ স্থান কত ?
আৰু এতিয়া তোমাৰ বিজয় ক'ত ?

প্ৰভু যীচুত বিশ্বাস কৰা সকলৰ বাবে মৃত্যুৰ কোনো স্থান নাই অথবা পৰম দেশত বকাসকলে মৃত্যুৰ হিম শীতল স্পৰ্শৰ পৰা ৰক্ষা পালে বা সিহঁতে মৃত্যুক জয় কৰিলে। মৃত্যুৱে সিহঁতৰ ওপৰত আৰু অধিকাৰ চলাব নোৱাৰে বা মৃত্যুৱে আৰু সিহঁতক কেতিয়াও পাব নোৱাৰে।

যি সকলে প্ৰভু যীচুক বিশ্বাস কৰা নাই সিহঁতক এতিয়াও মৃত্যুকে বাস্তৱ কৰিছে আৰু মৃত্যুৰ ভয় লগা স্পৰ্শৰ আতঙ্কত সিহঁতে যন্ত্ৰণা পাই থাকে। সিহঁতে কেতিয়াও মৃত্যুক জয় কৰিব নোৱাৰে কাৰন সিহঁতে মৃত্যুঞ্জয়ী প্ৰভু যীচুক বিশ্বাস কৰা নাই।

ইয়াৰ পাছত মাৰিয়াটাক সম্পূৰ্ণ দৃশ্যৰ কেন্দ্ৰ স্থলত ওপৰৰ পৰা নামি অহা এটা অতি উজ্জল ক্ৰুচৰ ফালে দৃষ্টি আকৰ্ষিত কৰোৱা হৈছিল। তাইৰ পথপ্ৰদৰ্শক দূতজনে তাইক কৈছিল—'স্বৰ্গৰ সকলোৱে ক্ৰুচক পবিত্ৰ বুলি জানে আৰু ভক্তি কৰে। অগনন লোকে তাৰ আগত আঠু লয়। কাৰন ত্ৰান কৰ্ত্তাই এই ক্ৰুচৰ দ্বাৰাই ঈশ্বৰ আৰু মানুহৰ মাজত হেৰাই যোৱা সম্বন্ধ ঘুৰাই আনিলে। যি মিলন আৰু প্ৰেমৰ জৰী ছিগি গৈছিল তাক পুনৰাই যোগ কৰিলে বা জোৰা দিলে। হেৰাই যোৱা বিলাকক বিচাৰি উদ্ধাৰ কৰিলে। সেয়ে সকলো মুক্তি পোৱা লোকেই ইয়াৰ চাৰিও ফালে থাকি শান্তি পায়।"

পৃথিবী বাসীৰ সৈতে স্বৰ্গদূত সকলৰ সম্বন্ধৰ বিষয়েও তাইক তাইৰ পথ প্ৰদৰ্শক দূতজনে এই দৰে কৈছিল "প্ৰত্যেক জন মানুহৰ সৈতে একো একোজন অভিভাৱক স্বৰ্গদূত থাকে, সিহঁতে তেওঁ-

লোকৰ পৰিচৰ্য্যা কৰে আৰু দিনে ৰাতিয়ে প্ৰতিক্ষনে প্ৰতি মূহুৰ্ত্তে অবিৰাম ভাৱে পতিত আৰু মৰন শীল প্ৰত্যেক আত্মাকেই তাৰ পোৱা অভিভাৱক স্বৰ্গদূত বিলাকে ৰখি চাই থাকে।"

মাৰিয়াটাই আৰু জানিছিল যে প্ৰভু যীচুৰ পুনৰ আগমনৰ কাল ওচৰ চাপি আহিছে। মানৱ জাতিক পৰিত্ৰান কৰিবলৈ ঈশ্বৰে যি সময় ৰাখিছে সেই সময় নিচেই ওচৰ হৈ আহিছে। সাধুসকলে আৰু আটাই বিলাকে এই দৰে কোৱা তাই শুনিলে "মানুহৰ পৰিত্ৰানৰ দিন ওচৰ চাপি আহিছে হে আটাই স্বৰ্গনিবাসী সকল আনন্দ আৰু গৌৰৱৰ ধ্বনিৰে মুখৰিত কৰা কিয়নো অতি শীঘ্ৰে ত্ৰানকৰ্ত্তাই স্বৰ্গদূত আৰু পৱিত্ৰ লোক সকলক লৈ নামি যাব।" মাৰিয়াটাই আগতে তাইৰ জীৱন ত্ৰানকৰ্ত্তাৰ হাতত সমৰ্পন নকৰা বাবে তাইক সিহঁতে মৃদু ভৎসনা কৰিছিল। তাইক এই দৰে বুজাইছিল যে "মুক্তি দাতা প্ৰভু যীচুৱেই হৈছে মানুহক স্বৰ্গ লৈ নিব পৰা একমাত্ৰ প্ৰভু তেওঁৰ বিনে আন কোনো নাই। তেওঁৰ দ্বাৰা নহলে কোনেও স্বৰ্গত প্ৰৱেশ কৰিব নোৱাৰে। তুমি যে এই বিলাক দেখিলা আৰু শুনিলা তাত দৃঢ় বিশ্বাসী হোৱা আৰু তেওঁৰ হাতত নিজকে সমৰ্পন কৰা তেতিয়া তুমি এই স্বৰ্গ সুখ উপভোগ কৰিবলৈ পাবা।" স্বৰ্গদূত জনে আকৌ প্ৰভু যীচুৰ পুনৰ আগমন আৰু তেওঁৰ সৈতে কোনে কোনে আহিব তাৰ বিষয়ে এইদৰে কৈছিল "মানুহৰ পুত্ৰৰ পুনৰ আগমনৰ দিনা পৃথিৱীৰ চাৰিও সীমাৰে পৰা আকাশৰ সীমালৈকে সকলোফালৰ পৰা মনোনীত লোক সকল একেলগ হৈ নিৰ্দ্দিষ্ট সময়ত আগবাঢ়ি যাব।"

## পৰম দেশত অনেক লৰাছোৱালী

মাৰিয়াটাই পৰম দেশত অনেক লৰা-ছোৱালী দেখিছিল। এইটো অৱশ্যে বাইবেলত লিখাও আছে। য়েতিয়া প্ৰভু যীচু এই পৃথিৱীত আছিল তেওঁ সৰু লৰা ছোৱালীবোৰক নিজৰ ওচৰলৈ আহিব দিবলৈ কৈছিল আৰু সিহঁতক মৰম কৰি আশিৰ্ব্বাদ দি শিষ্য বিলাকক এইদৰে কৈছিল "ইহঁতেই স্বৰ্গৰাজ্যৰ অধিকাৰী।" (মথি ১৯:১৩-১৪)।

মৃত্যুৰ পাছত শিশুবিলাকৰ আত্মাবিলাক কি হয় এই বিষয়ে আমাক পৱিত্ৰ বাইবেলত একো কোৱা নাই যদিও আমি জানিব পাৰো যে ইহঁতৰ আত্মাবিলাকক ইহঁতৰ অভিভাৱক স্বৰ্গদূত বিলাকে সযত্নে নিৰাপদে পৰম দেশলৈ লৈ যায়। মাৰিয়াটাৰ পথ প্ৰদৰ্শক স্বৰ্গদূতজনে তাইক কৈছিল—

"যদি মানুহে পবিত্ৰতা আৰু সমভাৱৰ পৰা আঁতৰি নগল হয় তেনেহলে পৃথিৱীখন নৱজাত শিশুবিলাকক ৰাখা এখন পবিত্ৰ ঘৰৰ নিচিনা হ'লহেতেন। কিন্তু পৃথিৱীলৈ পাপ আহিল, মৰণো আহিল আৰু শিশু বিলাকেও বয়সীয়া সকলৰ দৰে ইয়াৰ বলি হব লগীয়া হ'ল।"

দূতজনে তাইক আকৌ কলে যে "পৃথিৱীৰ প্ৰত্যেকটো শিশুৰে একো একোজন ৰখীয়া স্বৰ্গদূত আছে। পবিত্ৰ বাইবেলে কৈছে স্বৰ্গত সিহঁতৰ দূতবিলাকে স্বৰ্গত থকা মোৰ পিতৃৰ মুখ সদায় দেখা পায়" (মথি ১৮:১০)।

"সানাস্থ ঘৰচিৰিকা চোঁকা চৰাইবোঁ। ঈশ্বৰে তত্বাৱধান লয়, তেন্তে তেওঁৰ প্ৰতি মূৰ্ত্তিত সৃষ্টি কৰা মানুহ বিলাকক তেওঁ কিমান বেছি প্ৰাধান্য দিব বা তেওঁৰ আগত মানুহৰ জীৱন কিমান মূল্যবান। দেহৰ পৰা বাহিৰ হোৱাৰ লগে লগে স্বৰ্গদূতে শিশুৰ আত্মাক নিৰাপদে পৰমদেশলৈ লৈ যায়।"

তাইক আৰু দেখুৱাইছিল যে পৰম দেশত এখন নগৰ আছে সেই থনক শিশুৰ স্বৰ্গ বুলি কোৱা হয়। সেই নগৰ খন লতাপূৰ্ণ সমতলত স্থাপিত, যত ফলে-ফুলে জ্যোতিষ্কাৰ আৰু চৰাই বিলাকেও সুললিত গীত গাই থাকে যি বিলাক স্মৰনশীল পৃথিৱীৰ দৰে যদিও অতি উত্তম। শান্তিৰ নগৰ খনৰ বাহিৰত পৰম দেশ খনৰ সাধাৰণ দৃশ্যই আমাক পৃথিৱীৰ বুকুলৈ পাপ সোমোৱাৰ আগতে থকা এদেন বাৰী খনৰ কথা মনত পেলাই দিয়ে।

দূতজনে তাইক কৈছিল যে পৰম দেশত দূত একনে শিশুবিলাকৰ চোৱা-চিতা বা তত্বাৱধান কৰে, তেওঁ সিহঁতৰ মানসিক ধৰন আৰু বিশেষ দান অনুযায়ী শ্ৰেণীভুক্ত কৰে আৰু সিহঁতক সুস্থ ভাবে গঢ় দিবলৈ এটা অন্য ঘৰলৈ হস্তান্তৰ কৰে। পৰম দেশত বিদ্যালয়ো আছে আৰু তাত শিশু সকলক পৃথিৱীত থকা বিষয়বোৰৰ শিক্ষা দিয়া হয়। কিন্তু পৰম দেশত সিহঁত অপবিত্ৰতা আৰু পতিত জাতিৰ উপদেশৰ পৰা সম্পূৰ্ণ মুক্ত হৈ থাকে।

স্বৰ্গদূতজনে কৈছিল যে যদি শোক গ্ৰস্থ পিতৃ মাতৃয়ে মৃত শিশুটিৰ পৰম সুখ আৰু পৰম আনন্দৰ কথা অকনমানো অনুভৱ কৰিলে হেতেন তেন্তে সিহঁতে কেতিয়াও শোক নকৰিলে হেতেন। শিশু সকলে

শিক্ষাৰ নিৰ্দ্ধাৰিত পাঠ্য শেষ কৰাৰ পাছত উচ্চ স্বৰ্গৰ শিক্ষাৰ কাৰণে সিহঁতক ওপৰ শ্ৰেণীলৈ তুলি নিয়া হয়।

তাই স্বৰ্গত বিভিন্ন মৰ্য্যদাৰ, বিভিন্ন চৰিত্ৰৰ আৰু বিভিন্ন প্ৰকৃতিৰ জীৱ দেখিবলৈ পাইছিল। সিহঁতৰ প্ৰত্যেকেই আত্মিকতা আৰু মানসিকতাত বহু উন্নত আছিল। এইটো অৱশ্যে প্ৰভু যীচুৰ পাচনি পৌলৰ পুনৰুত্থানৰ পাছত জীৱন সম্বন্ধিয় প্ৰকাশিত বাক্যৰ লৈতে মিল আছে। তৰাবোৰ যেনেকৈ পৃথক মুক্তি প্ৰাপ্ত সকলোকো এজনৰ পৰা আনজনৰ ব্যক্তিত্বক পৃথক কৰি দেখুৱা হৈছে। তাই দেখিছিল যে পৰম দেশত পৃথক পৃথক ব্যক্তিত্ব থাকিলেও সকলোৰে মাজত এক অপূৰ্ব্ব মিলন আছে।

তাইক দূতজনে কৈছিল যে দুই আত্মা বিলাকৰ মাজত এক বিৰাট অমিল স্বভাৱ আছে যিটো পৰম দেশৰ নিয়মৰ বিপৰীত। এই পবিত্ৰ স্থানত সোমালে সিহঁতে তীব্ৰ যাতনা পায়। সেইবাবে দয়ালু ঈশ্বৰে তেওঁৰ দয়াৰে এনে আত্মাবিলাকক পবিত্ৰ সকলৰ চক্ৰত মিহলি হবলৈ নিষেধ কৰাই মাত্ৰ নহয় দুয়ো স্থানৰ মাজত এক মহা শূন্য ঠাইঁ স্থাপিত কৰিলে।

## ক্ৰুচ আৰু খ্ৰীষ্টই স্বৰ্গৰ আকৰ্ষন কেন্দ্ৰ

যেতিয়া প্ৰভু যীচু পৰম দেশত উপস্থিত হয় তেতিয়া স্বৰ্গৰ আন সকলো কাম বন্ধ হৈ যায়। স্বৰ্গদূত সকলে গোট খাই ভক্তি অৰ্চ্চনা কৰে। এনে সময়ত নতুনকৈ অহা শিশুবোৰে যেতিয়া চেতনা পায়, ত্ৰাণকৰ্ত্তাক চাবলৈ আৰু তেওঁলোকৰ মুক্তিদাতাক চাবলৈ সকলোৱে গোট খাই আহে। যেতিয়া মাৰিয়াটাই স্বৰ্গদূত জনক সুধিছিল যে যদি কোনোবাই ক্ৰুচৰ বাহিৰে স্বৰ্গৰ কথা অনুসন্ধান কৰে? তেতিয়া দূতজনে তাইক কৈছিল "মুক্তি পোৱাৰ আগৰে পৰাই ঈশ্বৰে ক্ৰুচক স্বৰ্গ আৰু মৰ্ত্তাত সকলোৰে কাৰণে স্থাপন কৰিলে। তাক বাদ দি কোনেও মুক্তি পাব নোৱাৰে"।

সকলো শিক্ষাতে মুক্তি পোৱা সকলৰ প্ৰেমৰ পবিত্ৰ প্ৰতিক চিহ্নিত কৰাৰ দায়িত্ব বৰ্ত্তীয়া স্বৰ্গদূত বিলাকক দিয়া হৈছে। মুক্তিৰ মহান সত্যৰ বিষয়ে প্ৰভু যীচুৰ মাধ্যমত (যি নি প্ৰান ক্ৰুচত বলিদান দি

যাতনা ভুগিলে ) শিক্ষা দিবলৈ আত্মাবিলাকক বৰ্থীয়া স্বৰ্গদূত বিলাকৰ হাতত সঁপি দিয়া হৈছে। সিহঁতৰ ভিতৰত প্ৰভু যীচুৰ ক্ৰুচ আৰু ত্যাগৰ চিহ্ন সচেতন আৰু প্ৰতিমূৰ্তিত হৈ থাকে । যেতিয়া সেই মোহৰ মাৰা আত্মাটো ঈশ্বৰীয় মহিমাৰে মহিমান্বিত হয় তেতিয়া সকলো স্বৰ্গদূতে ক্ৰুচলৈ থৰ লাগি চাই থাকে । এই বাবে দুষ্ট আত্মা বা দুষ্ট মানুহ বিলাকে স্বৰ্গদূত আৰু প্ৰকৃত সভাৰ শুদ্ধ কৰা ধাৰ্মীক লোকৰ পৰা কেতিয়াও লুকাই থাকিব নোৱাৰে ।

শিশু সকলৰ পৰমদেশত থকা শৃঙ্খলা আৰু অৱস্থাৰ বিষয়ে বহুতো কথা মাৰিয়াটাক দেখুৱা হৈছিল। প্ৰধান নগৰখনত উন্নত ধৰনৰ পকাঘৰ সজাৰ কৌশল তাই নিৰিক্ষন কৰিছিল। ইএক আচৰিত দক্ষতা-পূৰ্ণ লোকৰ দ্বাৰা সজোৱা আৰু মৰম লগা বিধৰ বুলি তাই বৰ্ণনা কৰিছে। সুন্দৰ প্ৰকৃতিৰে বৈ যোৱা জীৱনময় পানীৰ এখন নদীয়ে নগৰখন বাৰটা প্ৰধান ভাগত বিভক্ত কৰিছে। বাৰটা সুন্দৰ আৰু বহল বাজ আলিয়ে এই সুন্দৰ নগৰি খনক অথালি পথালিকৈ কাটিছে । এইদৰে নগৰখন এশ চৌৱাল্লিশটা (১৪৪) চুবুৰীৰে বিভক্ত কৰা হৈছে। মাৰিয়াটাই বৰ্ণনা দি কৈছে "গোটেই নগৰখনেই এখন ফুলৰ বাগিচাৰ দৰেহে লাগিছিল। শাৰী শাৰী গছৰ মাজে মাজে এটা বাট; সুন্দৰ ঝৰণাৰে এক অপূৰ্ব্ব সাগৰ। এক হব দামী স্থাপত্য বিস্তাৰ এটা অখণ্ডিত পৰিসৰৰ চাৰিও ফালে অপৰূপ দৃশ্যৰ সৌন্দৰ্য্যৰে ভৰা আৰু অমৰ বস্তীৰে পোহৰাই থোৱা নানান কাৰুকাৰ্য্যৰে ভৰা, ওপৰত এখন যেন্ন ভেৰীয়া খুলা আকাশ ।"

তুলনা মূলক হিচাবে পৃথিৱীৰ নিচিনা স্বৰ্গত কোনো ধৰনৰ শত্ৰু শত্ৰুতা নাছিল । তাত বাস কৰাবিলাক আটায়ে শান্তি আৰু পবিত্ৰ প্ৰেমত বাস কৰিছিল। "তাত কোনো ধৰনৰ শত্ৰুতা, হিংসা, মাদগৰ্ব্বী ভাব শিশু সকলৰ মাজত মই নেদেখিলোঁ।। সকলোৱে মহান প্ৰেমত আবদ্ধ আছিল । সিহঁতৰ প্ৰত্যেক শ্ৰেণী বা ভাগতে এটা ডাঙৰ ঐক্যতা আছিল। সিহঁতে ডাঙৰৰ সমাজলৈ বৰ পবিত্ৰ ব্যৱহাৰ কৰিছিল। প্ৰত্যেক সক লৰা-ছোৱালীয়ে পবিত্ৰ প্ৰেমত পৰিপূৰ্ণ আছিল। প্ৰত্যেকে পবিত্ৰ জ্ঞানত বুদ্ধিত একোটা উজ্জ্বল আৰু মৰমীয়াল স্বৰ্গদূতৰ দৰে হবলৈ বিচাৰিছিল ।"

## মাৰিয়াটাই চৈতানৰ ৰাজ্যলৈও নামি গ'ল

এই খিনিতে মাৰিয়াটাক জনোৱা হৈছিল যে তাইক এটা গহীন গম্ভীৰ বিষয়ৰ পাঠ শিকোৱা হব। হঠাৎ সকলো উজ্জ্বলতা আঁতৰি গৈছিল আৰু তাই অন্ধকাৰৰ ৰাজ্যলৈ নামি গৈছিল। যেতিয়া তাই গম পাইছিল যে তাই এক এন্ধাৰ গাতৰ ভীতৰলৈ সোমাই গৈ আছে তেতিয়া তাই বৰ ভয় পাইছিল। তাই নামি গৈ যিখন ঠাইত উপস্থিত হৈছিল তাত তাই দেখিছিল যে· "তাত গন্ধক যুক্ত চক চকীয়া অন্ধকাৰৰ মাজত তাইৰ চাৰিওফালে কিবা এটা ভয়ানক পৰছায়াই অপবিত্ৰ উদ্বেগেৰে ভৰা জুইৰ মাজত ওপঙি ফুৰিছিল।" তাই ভয় খাই তাইৰ পথপ্ৰদৰ্শক স্বৰ্গদূত জনৰ আশ্ৰয় বিচাৰি লুকাবলৈ বিচাৰি দেখিলে যে তাই তাত অকলশৰীয়া আছিল। তাই প্ৰাৰ্থনা কৰিবলৈ যত্ন কৰিও নোৱাৰিলে। পৃথিৱীত থকা সময়ত তাইৰ জীৱনটো প্ৰভু যীচুক সমৰ্পন নকৰা কথাটো সুঁৱৰি দুখেৰে কৈছিল—

"হায় পৃথিৱীখন এক ক্ষন্তেকীয়া মূহুৰ্ত্ত মাত্ৰহে। প্ৰাণটোক উপযুক্ত কৰি তুলিবলৈ আৰু ধাৰ্ম্মীক সকলৰ দেশলৈ যাবলৈ প্ৰস্তুত কৰিবৰ বাবে তাক মৰ্ত্ত্যত কিমান এক চমু সময় দিয়া হৈছে।" হতাশাত তাই আৰু অন্ধকাৰলৈহে সোমাই গ'ল। শীঘ্ৰে তাই গম পালে যে তাই এতিয়া দুষ্ট আত্মা বিলাকৰ মাজত উপস্থিত হৈছে।

ইয়াত মাৰিয়াটাই বিভিন্ন ধৰনৰ শব্দ শুনিবলৈ পাইছিল। তাততাই শুনিছিল অট্টাহাস্য, মতলীয়াৰ চিঞৰ বাখৰ, খেমেলীয়া বিদ্ৰুপ, নিৰ্লজ্জ ইতিকিং, অশ্লীল ইঙ্গিত, ভয়ংকৰ অভিশাপ। তাত সকলোৰে এক অসহনীয় তৃষ্ণা, পিয়াহ গুচাবলৈ তাত পানী নাছিল। দেখা পোৱা খৰনা আৰু জুৰিবোৰ একোটা মৰিচিকা মাত্ৰহে আছিল। গছত দেখা ফল বিলাক চিঙিলেও হাতত পুৰিছিল। গোটেই পৰিবেশটোৱে কঢ়িয়াই আনিছিল তাইৰ জীৱনলৈ এক নিৰাশা আৰু দুৰ্দ্দশাময় অভিশাপ।

মাৰিয়াটাই এই ভয়াবহ দৃশ্যবোৰ দেখি চিন্তা কৰি থকা সময়তে পৃথিৱীত চিনিপোৱা এটা মৃত আত্মাই আহি তাইক সম্ভাষন জনাই কৈছিল। "মাৰিয়াটা আমি আকৌ লগ পালোঁ। মুক্তিদাতাক অবিশ্বাস কৰি পৰিত্ৰাতাক অস্বীকাৰ কৰা দুষ্ট লোক সকলে নশ্বৰ দেহ ত্যাগ কৰি আহি যি বাসস্থান পায় সেই ঠাইতে আহি তুমি মোক ল'গ পালা।

"পৃথিৱীত মোৰ জীৱনটো হঠাতে অন্ত পৰিল। পৃথিৱীৰ পৰা আতৰি মই ইয়ালৈকে আহিলোঁ। মই বেগেৰে শাসনকাৰী বাসনাই কৈথকা দিশৰ ফালে আগবাঢ়ি গলোঁ। মই বিচাৰিলো আদৰ সাদৰ, মান-সন্মান, আওবাটে নিয়া প্ৰবৃত্তি; মুক্তভাৱে অনুসৰন কৰা মোৰ অহঙ্কাৰৰ শলাগ, বিদ্ৰোহী আৰু সুখ প্ৰেমী অন্তৰ, বাধাহীনভাৱে সকলোৰে থাকিব পৰা অস্তিত্ব, যত আত্মাৰ কাৰনে সকলো অবাধ সম্মতি থাকিব, যত ধৰ্মীয় উপদেশৰ কোনো স্থান নাই এনে এক জীৱন যাপন কৰিলোঁ।

"এনে এক দুঃচৰিত্ৰ লৈ মই মৃতকৰ আত্মা বিলাকৰ জগতত প্ৰবেশ কৰিলোঁ, অন্তৰত থকা অদম্য বাসনা বোৰ লৈ লৰালৰিকৈ ভূমি এতিয়া দেখি থকা ভয়ানক অন্ধকাৰৰ নিৰাশাময় মৃত দৃশ্যবোৰৰ মাজলৈ সোঁ-সোঁৱাই নামি আহিলোঁ। মোক ইয়াৰ সকলোৱেই আদৰ অভ্যৰ্থনা কৰিলে আৰু ইয়াৰ পৰিৱেশৰ সৈতে পৰিচিত কৰাই দিলে। সেইটো সিহঁতৰ সঙ্গী বুলি চিনি পাইছিল। তোমাক সিহঁতে অভ্যৰ্থনা কৰা নাই কিয়নো ইয়াত প্ৰচলিত আবেগৰ প্ৰতিকূল চৰিত্ৰ তোমাত দেখা পোৱা নাই।

"মই নিজকে আচৰিত আৰু অস্থিৰ পৰিৱেশত সোমাই পৰা অনুভব কৰিছোঁ। মোৰ মগজৰ এক আচৰিত ব্যতিক্ৰম হোৱা অনুভৱ কৰিছোঁ। মস্তিস্কৰ ইন্দ্ৰিয়বোৰত এক বাহিৰা শক্তিৰ প্ৰভাৱ অনুভৱ কৰিলোঁ। বাহিৰা শক্তিয়ে মোক ব্যৱহাৰ কৰিব ধৰিলে। মই মোৰ চাৰিও ফালে থকা আৱৰিত প্ৰভাৱ বোৰত নিজকে হেৰুৱালোঁ। ৰঙ সুখৰ হা বিলাসত মহা আনন্দেৰে জীৱনটো উপভোগ কৰিলোঁ। ভোজ খাইছিলো আৰু ভোজ পাতিছিলোঁ, মই অসভ্য কাম নৃত্যত সোমাই পৰিছিলোঁ।

"ওপৰে বক্তচৰিয়া ধুনীয়া ফল দেখি লোভ সম্বৰিব নোৱাৰি চিঙিখালোঁ, কিন্তু যেতিয়া তাৰ সোৱাদ পালো তেতিয়া গমপালো সেয়া খীন লগা আৰু যন্ত্ৰনা বঢ়োৱাৰ উৎসাহে মাত্ৰ। যাৰ ফলত আজি মই ইয়াত এই অস্বাভাৱিক অভিপ্ৰায় বোৰৰ সৈতে মিলি চিৰন্তন যাতনা পাওঁ ভাল পাবলগীয়া কৈছোঁ যাক মই একেবাৰে ঘৃণা কৰো। এই যাতনা মোৰবাবে বৰ অসহ্য কিন্তু উপাই নাই। নিষ্ঠুৰ বশীকৰণৰ শক্তিয়ে মোৰ অশান্ত মনৰ ওপৰত প্ৰভুত্ব চলাবলৈ মোৰ চাৰিও ফালে থকা প্ৰত্যেকটো বস্তুতে এটা দমন শক্তি প্ৰয়োগ কৰি ৰাখিছে।

## বেয়াৰৈ আকৰ্ষিত হোৱাৰ বিধান

"বেয়াৰৈ আকৰ্ষিত হোৱাৰ বিধানৰ অভিজ্ঞতাও মই পালোঁ। নানান আভুৱা ভৰা অসংযত জীৱনৰ পকভূতৰ শেষ সমাধিৰ মাংসিক দুষ্ট চক্ৰান্তৰ দ্বাৰা মই বশিভূত হৈ পৰিছিলোঁ। ভালৰ পৰিবৰ্তে সকলো ধৰণৰ বেয়া বিষয় বিলাকে মোক আকৰ্ষন কৰিছিল। যেতিয়া মোৰ ধাৰণা হৈছিল যে মই মোৰ নিজস্ব আত্মাৰ দখলত আছোঁ তেতিয়া পকভূতৰ এক দুনালগা কল্পনাৰ এটা অংশ, মানসিক স্বাধীনতাৰ চিন্তা বিলাক মাংসিক অভিলাস বিলাকৰ দ্বাৰা সকলোবোৰ ম্লান কৰিদিছিল। পাপৰ শক্তিয়ে মোক আকৰ্ষন কৰি আনি পাপময় জগতত উপস্থিত কৰাইছিল।

## আইন বা বিধান উলঙ্ঘা কৰাৰ পৰিনাম

"মাৰিয়াটা! আমাৰ শোক লগা অৱস্থাৰ কথা ব্যক্ত কৰাতোও এটা বৃথা প্ৰয়াস মাত্ৰ বুলিহে মই ভাবোঁ। মই প্ৰায়ে চিন্তা কৰো যে তাত আমাৰ কোনো আশা নাই নে কি? তেতিয়া মোৰ বিবেকে এনে দৰে উত্তৰ দিয়ে; অনৈক্যৰ মাজত পৰস্পৰ ঐক্যতাৰ স্থান জানো থাকিব পাৰে? আমি পৃথিবীত থাকোতে আমাক আমাৰ পথৰ পৰিনামৰ বিষয়ে ঈশ্বৰৰ বাক্যৰ দ্বাৰা পবিত্ৰ লোক সকলে যীচুত থকা পৰিত্ৰানৰ কথা ঘোষণা কৰি সতৰ্ক কৰি দিছিল। আমি নিজেহে ঈশ্বৰৰ সেই উত্তম পথটোক আওকান কৰি মাংসিক অভিলাস পূৰ্ণ পথটোহে ভাল পাইছিলোঁ। আমি নিজৰ চৰিত্ৰৰ দোষতেই এই ঠাইলৈ খহি পৰিলোঁ। আমাৰ যন্ত্ৰনাৰ কাৰনে আমি নিজেই দায়ি হলোঁ। ঈশ্বৰ সত্য। ঈশ্বৰ ভাল আৰু মৰমীয়াল। আমি যে শাস্তি ভোগ কৰিছোঁ সেয়া সৃষ্টি কৰ্তাৰে দোষ খণ্ডন কৰা আইন বা বিধানৰ বাবে নহয়। আমাৰ এই অৱস্থা আমাৰ নিজৰ ভুলৰ কাৰনেহে হৈছে। ইয়াত আমি যাতনা পাই চংফটাই থাকো, দুখত চিঞৰো আৰু নিজকে বিদ্ৰুপ কৰি অট্টাহাস্যে ভৰ্ত্সনা কৰোঁ। ইয়াতে আমি দিন কটাইছো ইয়াতে আমি অনন্ত কাল যাতনা ভুগি থাকিব লাগিব। পবিত্ৰ বাইবেলত লিখা যি বিধানৰ দ্বাৰা আমাৰ নৈতিক স্বভাৱ আৰু প্ৰবৃত্তি, পৰস্পৰ ঐক্যতা আৰু পবিত্ৰতা প্ৰেম আৰু সহানুভূতিৰ আচৰন, নম্ৰতা আৰু মিলন

প্ৰয়াসৰ চৰিত্ৰ সংৰক্ষণ কৰিব লাগিছিল তাক উলাথা কৰি নিজ ইচ্ছাৰ দৰে চলি আমাৰ এনে অৱস্থা আমি নিজে নিজে কৰি লৈছোঁ ।

"এই দৃশ্যবিলাক দেখি তুমি আতঙ্কিত হৈছা নেকি ? এয়া তোমাৰ চাৰিও ফালে থকা গভীৰ সন্তাপৰ বহীৰ্ভাগহে মাত্ৰ। ইয়াতকৈ আৰু অধিক ভয়ানক দৃশ্য আছে। যিবোৰ দেখিলে তুমি সহিব নোৱাৰিবা ।

' ইয়াত কোনো ভাল মনৰ বা সুখ-শান্তি প্ৰীয় লোক নেপাবা। সকলো অন্ধকাৰ ইয়াত মই কেতিয়াবা উদ্ধাৰৰ বাবে হাবিয়াস কৰো কিন্তু যেতিয়া এই অন্ধকাৰলৈ চাওঁ তেতিয়া ভাবো যে উদ্ধাৰ কৰ্তাৰ প্ৰেমে জানো মোক এই অন্ধকাৰ ৰাজ্যত মৃতক বিলাকৰ মাজত বিচাৰি পাব? এই দুৰ্দ্দশা গ্ৰস্থ জগতৰ যিবোৰে আমাক শিকলিৰে বান্ধাৰ দৰে কৰি থৈছে, এই অপবিত্ৰ পঞ্চভূতৰ অধীন হৈ স্মৃতিৰ দহনীয় জুইৰ মাজত জ্বলি আছোঁ সেই উদ্বেগৰ কামনা বাসনা আৰু প্ৰবৃত্তিবোৰৰ পৰা এতিয়া মুক্তি পাব পৰাতো সম্ভৱ জানো ?"

সেই মৃত আত্মাটোৰ বিবৃতি বিলাক শুনি, তাৰ স্বীকাৰোক্তিৰ অনুভৱ কৰি আৰু সেই দৃশ্যবিলাক দেখি মাৰিয়াটাই এক অসহ্য যাতনাত আৰু ভয়ানক শোকত ভাঙি পৰিছিল। তাই এনে দৰে বৰ্ণনা কৰিছে যে — তাইৰ এই দৰ্শনৰ সাক্ষ্য সত্য । এটা বৰ ভয়ানক দৃশ্য দেখি তাই চকু মুদি দিছিল এনেতে তাইক সেই ঠাইৰ পৰা আতৰাই অনা- হৈছিল। তাই কৈছে যে —"পৃথিৱীত চিনিপোৱা আন আন মৃতকৰ আত্মাবিলাকক যেতিয়া দেখিলো মই সিহঁতক চিনি পালোঁ। সিহঁত দুখ কষ্টত ক্লান্ত শ্ৰান্ত হৈ যন্ত্ৰনাত জৰজৰিত আৰু অনুতাপত হিয়া ভঙা হাঃহুমুনীয়াৰে ভৰী আছে।"

এই খিনিতে তাৰ পথ প্ৰদৰ্শক স্বৰ্গদূত জনে আকৌ তাইক লগ দিছিল। তাই দেখা সকলো-কথাৰ ব্যাখ্যা দিছিল। দূতজনে কৈছিল— 'ক্ৰুচক বাদ দি আন উপায়েৰে যি সকলে শান্তি বিচাৰে অৱশেষত সি ভয়ানক নিৰাশাৰ অভিজ্ঞতা পায় । যি বিলাক খ্ৰীষ্টক পাইছে সিহঁতে কেতিয়াও সন্তাপৰ সেই ঠাইলৈ নাযাব। কিয়নো বিশ্বাস কৰা সকলৰ প্ৰত্যেকৰ বাবে স্বৰ্গত অট্টালিকা সজা আছে আৰু যি জনেই বিচাৰে তেৰেই প্ৰভুৰ সহায় ঠিক সময় মতে পায় । যি সকলক তুমি দেখিলা

সিহঁত সিহঁতৰ দেহত থকা অৱস্থাত প্ৰশ্ৰয় দিয়া পঞ্চ ইন্দ্ৰিয়ৰ শক্তিৰ দ্বাৰা বশিভূত হৈ আছে। খুব খুবাই ওপৰৰ পৰা পৰি অধম হৈ বিষত ভত নোপাৱা হোৱাৰ দৰে পাপত মৰা বিলাকৰ অৱস্থা হয়। এয়াই হৈছে প্ৰাণীৰ বিধি।'

মৃত্যুৰ পাছত প্ৰাণটোৰ কি হয় আৰু কলৈ যায় সেই বিষয়েও স্বৰ্গদূত জনে তাইক এইদৰে কৈছিল— 'ঈশ্বৰে ইচ্ছা কৰি কাকো নৰকলৈ নপথায়। কিন্তু মৃত্যুৰ পাছত সিহঁতৰ আত্মাই সিহঁতৰ প্ৰবৃত্তি আৰু চৰিত্ৰ অনুসৰী সিহঁতৰ লগত মিল থকা সকলৰ সঙ্গতি বিচাৰি সিহঁতৰ লগত মিল থকা সকলৰ স্থানলৈ আকৰ্ষিত হয়। পবিত্ৰ লোক সকল পবিত্ৰ বিলাকৰ স্থানলৈ গতি কৰে আৰু পাপী সকলে পাপআজ্ঞা পালন কৰি সেই দুষ্ট সকলৰ স্থানলৈ গতি কৰে।

"তুমি পৰম দেশলৈ গলা আৰু তাত থকাবিলাকৰ সুখ শান্তি দেখিলা তাৰ পাছত যি অন্ধ এথন দেশলৈ গলা সেয়া নৰক, তাত অধৰ্মী পাপী সকলক দেখিলা যত কেৱল বিশৃঙ্খলা আৰু অন্ধকাৰৰ অধিকাৰী সকলৰ আধিপাত্য বিস্তাৰ কৰিছো তাত অসৎ প্ৰবৃত্তিৰে গঠিত চৰিত্ৰ সমূহ আৰু অৱশেষত যত দুষ্ট প্ৰবৃত্তিবোৰ চৰম সীমা পাইছে আৰু সেই দুৰ্দ্দশাৰ অধিকাৰী হৈছে। সিহঁতে পাপেৰে প্ৰবৃত্ত হৈ সিহঁতৰ জীৱনত সকলো কৰ্ম্ম ঈশ্বৰৰ বিৰুদ্ধে আৰু আত্মাৰ বিৰুদ্ধে কৰি দুষ্ট আত্মাৰ জগতলৈ আকৰ্ষিত হৈছে আৰু তাত সিহঁতে নিজ নিজ প্ৰবৃত্তিৰ দৰে পঞ্চভূতৰ শক্তিৰ অধীন হৈছে।"

তাৰ পিছত মাৰিয়াটাক স্বৰ্গৰ পবিত্ৰ ঐক্যৰ সৈতে মুখামুখি হবলৈ দিলে যাৰ বাবে তাই অকনো সাজু নাছিল। তাই অনুভৱ কৰিলে যে তাইৰ নিজৰ প্ৰবৃত্তিত স্বৰ্গৰ অতি পবিত্ৰ আৰু নিৰ্ম্মল প্ৰকৃতিৰ লগত বৰ অমিল হৈ আছে। চলিত বিধি মতেও তাই তাত মিলিব নোৱাৰে। তাইৰ কথাবতৰাতে তাইৰ অপবিত্ৰতা আবিষ্কৃত হৈছিল তেতিয়া তাই নিজকে নিজে বৰ ধিকাৰ দিছিল। তাতে তাইৰ অনুভৱ হ'ল যে তাইও মুক্তি পোৱানাই। কথাটো গম পাই তাই বৰ দুখ কৰিলে; কিন্তু স্বৰ্গদূতজনে তাইক এই বুলি আশ্বাস দিছিল— "পিতৃ ঈশ্বৰ অতি মৰমীয়াল তেওঁ দুষ্টবিলাকক স্বৰ্গত সোমাবলৈ এই কাৰণে নিদিলে যে সিহঁতে স্বৰ্গত সোমালে নিজে নিজে বৰ যন্ত্ৰনা পায়। পুনৰ

জন্ম নোপোৱা আত্মাই স্বৰ্গৰ নিৰ্ম্মলতাৰ সৈতে একেবাৰে মিলিব নোৱাৰে। সিহঁতৰ যন্ত্ৰণা নৰকত সহি থকাতকৈও স্বৰ্গত বেচি হয়। ইয়াতে দয়ালু সৃষ্টি কৰ্ত্তাৰ গভীৰ তত্ব, পূৰ্ণ ঐশ্বৰীক জ্ঞানৰ কথা বুজিব পাৰি।

"আত্মাৰ নিজস্ব স্বভাব আৰু অভিপ্ৰায় অনুযায়ী প্ৰতিস্থিত অভ্যাস লৈ সেই ধৰনৰ অৱস্থা আৰু সেই ধৰনৰ স্থানলৈ ঢাল খায়। যাতে অতিশয় মঙ্গলৰ বিপৰীতে পাপ বা কোনো শ্ৰেণীৰ যাতনা পৃথক হয়। যাতে কোনো যাতনা বা সুখৰ অকনো লাঘৱ নহয় বা অনিষ্ট নহয়। এই দৰেই ঈশ্বৰে সকলো বিধান মানুহক প্ৰকাশ কৰি দেখুৱাইছে। প্ৰকাশিত বাক্য লিখক যোহনেও দেখিছিল যে পবিত্ৰ স্থানত কোনো অপবিত্ৰতাৰ প্ৰবেশ হব নোৱাৰে।"

স্বৰ্গদূতে তাইক কলে যে "ঈশ্বৰে কেতিয়াও মুক্তি পোৱাবিলাকৰ লৰা-ছোৱালীক পাপ আত্মাৰ আকৰ্ষনলৈ আহিবলৈ নিদিয়ে। জীৱৰ বিধি সম্বন্ধে ঈশ্বৰৰ দয়া এনে পবিত্ৰ যে সৃষ্টি কৰ্ত্তাৰ বৰ সুন্দৰ বিচাৰ। যি জনে সেই বিধিৰ বিৰুদ্ধে চলিব সিয়ে যাতনা পাব। তেওঁ কেতিয়াও শিশুবিলাকক এনে যাতনাৰ সম্মুখীন হবলৈ নিদিয়ে। তেওঁ কেতিয়াও সিহঁতক ধ্বংস হবলৈ নিদিয়ে।

"যি সকলে জীয়াই থাকোতে নিজৰ মাংসিক অভিলাস পূৰ্ণ কৰিবলৈ বিচাৰি ঈশ্বৰৰ পবিত্ৰ আৰু শুদ্ধ বিধানৰ অৱজ্ঞা কৰি ত্ৰানকৰ্ত্তা খ্ৰীষ্টক অস্বীকাৰ কৰি চলিছে সিহঁতক সিহঁতৰ প্ৰবৃত্তিৰ শক্তিয়েই সেই সন্তাপৰ স্থানলৈ টানি লৈ যায়। কাৰন ঈশ্বৰে সিহঁতক সিহঁতৰ স্বভাৱৰ দ্বাৰাই আকৰ্ষিত হৈ সেই স্বাভাবিকতে দুষ্ট আৰু হিংস্ৰো আত্মাবিলাকৰ হাতত নিৰ্য্যাতিত হবলৈ এৰি দিয়ে। তাৰ বাবে সিহঁতে কেতিয়াও ঈশ্বৰক অবিচাৰ কৰা বুলি কব নোৱাৰে। কাৰণ কোনো বিধানেই নিৰ্দোষক দায় ধৰিব নোৱাৰে। অকল দোষীয়েহে তাৰ নিজ দোষত দায়ি হয়। গতিকে সিহঁতৰ দোষেই সিহঁতৰ যন্ত্ৰণাৰ উৎস।

"যদি এনে এটা বিদ্ধংস্যতাৰ মাজত শিশু বিলাকক নিষ্ঠুৰ ভাবে ধ্বংস হবলৈ দিয়া হয় তেন্তে ঈশ্বৰে অবিচাৰ কৰা নহবনে? কিন্তু ঈশ্বৰৰ সুবুদ্ধি সম্পন্নতা সুবিচাৰত তেওঁ কেতিয়াও শিশুবিলাকক তেনে হবলৈ এৰি নিদিয়ে। তেওঁ কেতিয়াও দোষী আৰু নিৰ্দোষীক সমান স্থান নিদিয়ে আৰু জগতৰ দুষ্ট বোৰৰ সৈতে পবিত্ৰ লোক সকলক সমান নকৰে।"

মাৰিয়াটাই এই বিলাক জানি-বুজি নিজকে বৰ অসহায় অনুভৱ কৰি কান্দিবলৈ ধৰিলে কিন্তু স্বৰ্গদূতজনে তাইক নেকান্দিবলৈ কৈ এই দৰে উৎসাহিত কৰিছিল—"তোমাৰ সকলোবোৰ পাপ ধুই শুচি কৰি পাপবোগৰ পৰা আৰোগ্য হব পৰাকৈ ঈশ্বৰে এটা ধৰনা যুগুত কৰি থৈছে। সেয়েহে অনেক লোকে বন্দিশালৰ পৰা মুক্ত হৈ শুদ্ধ-শুচি হৈ সম্পূৰ্ণ আনন্দেৰে ওলাই আহি ঈশ্বৰৰ ৰাজ্যত মহা আনন্দ উপভোগ কৰিছে। তেনেদৰে তুমিও আনন্দ কৰিব পাৰিবা। কাৰন মহা অনুগ্ৰহত ঈশ্বৰৰ এই দান বিনা মূল্যে বিশ্বাসৰ যোগেদি সকলোকে দিয়া হৈছে। এই কাৰনে স্বৰ্গত সাধুলোক সকলে দিনে ৰাতিয়ে অবিৰাম ভাবে তেওঁলোকৰ মুক্তিদাতাৰ গৌৰৱৰ গীত গাই প্ৰশংসা কৰে।"

৯ দিনৰ পিছত সংজ্ঞা ঘুৰাই পাই মাৰিয়াটাই প্ৰভু যীচুক গ্ৰহণ কৰি এই সাক্ষ্য দিছিল। তাইৰ এই সাক্ষ্য একে বাৰে সত্য বুলি তাই দাবী কৰিছে। তাই কৈছে যে "ই সত্য যে যদি কোনোৱে খ্ৰীষ্টক আৰু ক্ৰুচক এৰি স্বৰ্গলৈ যোৱাৰ সপোন দেখিছে তেন্তে সেই জনে এদিন সেই ভুল সপোন দেখাৰ পৰিনাম ভুগিব লাগিব। মাৰীয়াটাই আগতে খৃষ্টক আৰু ক্ৰচক অবিশ্বাস কৰিছিল যাৰ ফলত তাইনিজকে স্বৰ্গৰ পৰিবেশৰসৈতে বৰ অমিল পাইছিল। তাই আজি নিজৰ জীৱন খৃষ্টৰ হাতত সমৰ্পন কৰি খৃষ্ট যীচুক নিজৰ মুক্তিদাতা বুলি বিশ্বাস কৰি বাইবেলত লিখা সকলো বিধি মতে চলি সেই স্বৰ্গীয় সুখ-শান্তি উপভোগ কৰিবলৈ অধীকাৰ পাইছে।

বন্ধু যদি এতিয়ালৈকে আপুনিও প্ৰভু যীচু খৃষ্টক গ্ৰহণ কৰা নাই এতিয়াই তেওঁক আপোনাৰ ত্ৰানকৰ্ত্তা হিচাবে গ্ৰহণ কৰক। তেতিয়াহে মৰাৰ পাছত আপোনাৰ আত্মায়ো মুক্তি পোৱা সকলৰ স্থানলৈ যাবহঁক।

"কাৰণ ঈশ্বৰে জগতক ইমান প্ৰেম কৰিলে যে তেওঁ নিজৰ একমাত্ৰ পুত্ৰকে দান কৰিলে যাতে যি কোনোৱে তেওঁত বিশ্বাস কৰে তেওঁ নষ্ট নহয় কিন্তু অনন্ত জীৱন পায়"।

(পবিত্ৰ বাইবেলৰ যোহন ৩ অধ্যায় ১৬)




LIFE AFTER DEATH

**ASSAMESE**

Literature for the NATIONS

CHRIST FOR THE NATIONS